# তথ্য অধিকাৰ অধিনিয়ম, ২০০৫

## (২০০৫ ৰ অধিনিয়ম সংখ্যা ২২)

[১৫ জুন, ২০০৫]

প্ৰত্যেক লোক প্ৰাধিকাৰী কাৰ্য্যকৰণত স্বচ্ছতা আৰু উত্তৰ দ্বায়িত্বৰ উন্নীত কৰিবলৈ লোক প্ৰাধিকাৰীসমূহৰ নিয়ন্ত্ৰণাধীনৰ তথ্য ঢুকি পোৱাতো নিশ্চিত কৰিবলৈ নাগৰিকসকলৰ তথ্য অধিকাৰৰ ব্যৱহাৰিক শাসন পদ্ধতি বিন্যাস কৰা, এখন কেন্দ্ৰীয় তথ্য আয়োগ বা ৰাজ্যিক তথ্য আয়োগৰ গঠন আৰু তাৰ সম্পৰ্কিত বা তাৰ আনুসংঙ্গিক বিষয়সমূহৰ বাবে উপবন্ধ কৰিবলৈ এখনি অধিনিয়ম।

যিহেতু ভাৰতৰ সংবিধানে গণতান্ত্ৰিক গণৰাজ্যৰ স্থাপিত কৰিছে ;

আৰু যিহেতু গণতন্ত্ৰই শিক্ষিত নাগৰিক বৰ্গ আৰু এনে তথ্যৰ স্বচ্ছতা অপেক্ষা কৰে, যিসকল তাৰ কাৰ্য্যকৰণ আৰু দুৰ্নীতি ৰোধ কৰাৰ বাবেও আৰু চৰকাৰে আৰু তাৰ পৰিকৰণ সমূহৰে শাসিত প্ৰতি উত্তৰদায়ী কৰিবলৈ অনিবাৰ্য্য হয় ;

আৰু যিহেতু বাস্তৱিক ব্যৱহাৰত তথ্যৰ প্ৰকটকৰণৰ সম্ভাৱনা থকা অন্য লোক হিত, যিটোৰ অন্তৰ্গত চৰকাৰৰ দক্ষ প্ৰবৰ্ত্তন, সীমিত ৰাজ্যিক বিত্তীয় উৎসৰ অধিকতম ব্যৱহাৰ আৰু সংবেদনশীল তথ্যৰ গোপনীয়তাৰ আৰক্ষণৰ সৈতে মতদ্বন্দ্ব হোৱাৰ সম্ভাৱনা ;

আৰু যিহেতু গণতান্ত্ৰিক আদৰ্শৰ সৰ্বশ্ৰেষ্টত্ব সংৰক্ষণ কৰাত এই বিৰোধী হিতসমূহৰ মাজত সামঞ্জস্য ৰক্ষা কৰাৰ আৱশ্যক হয়;

এতিয়া, গতিকে এইটো নাগৰিকলৈ কিছুমান তথ্য দিয়াৰ বাবে, যিয়ে এইটো পাবলৈ ইচ্ছা কৰে, উপবন্ধিত কৰিবলৈ সমীচীন হয়।

ভাৰত গণৰাজ্যৰ ছাপন্নতম বৰ্ষত সংসদৰ দ্বাৰা নিম্নলিখিতৰ দৰে ইয়াক অধিনিয়মিত কৰা হওঁক ঃ—

# অধ্যায় ১

## প্ৰাৰম্ভিক

সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভ ।

১। (১) এই অধিনিয়মখন তথ্য অধিকাৰ, ২০০৫ বুলি অভিহিত হব।

(২) এই অধিনিয়মখন জম্মু আৰু কাশ্মীৰ বাহিৰে সমগ্ৰ ভাৰতবৰ্ষতে বিস্তাৰিত হব।

(৩) ধাৰা ৪ ৰ উপ-ধাৰা (১), ধাৰা ৫ৰ উপ-ধাৰা (১) আৰু (২), ধাৰা ১২, ১৩, ১৫, ১৬, ২৪, ২৭ আৰু ২৮ৰ উপবন্ধাৱলী তৎকালীন বলবৎ হব আৰু এই অধিনিয়মৰ বাকী থকা উপবন্ধসমূহ এইটো অধিনিয়মিতিৰ হোৱাৰ এশ বিশ দিনত বলবৎ হব।

পৰিভাষা সমূহ ।

২। এই অধিনিয়মত, প্ৰসঙ্গত অন্যথা অপেক্ষিত নহলে, —

(ক) লোক প্ৰাধিকাৰীৰ সম্বন্ধত "সমুচিত চৰকাৰ" মানে যিটো কেন্দ্ৰীয় চৰকাৰ বা সংঘ ৰাজ্য ক্ষেত্ৰৰ প্ৰশাসনৰ দ্বাৰা স্থাপিত, গঠিত, মালিকানাধীন, নিয়ন্ত্ৰিত বা ইয়াৰ দ্বাৰা প্ৰত্যক্ষ আৰু পৰোক্ষ ভাৱে উপবন্ধিত নিধিৰ দ্বাৰা অধিকতম বিত্তৰ যোগান ধৰে —

(i) তাত কেন্দ্ৰীয় চৰকাৰ;

(ii) ৰাজ্য চৰকাৰৰ দ্বাৰা, ৰাজ্য চৰকাৰ ;

(খ) "কেন্দ্ৰীয় তথ্য আয়োগ" মানে ধাৰা ১২ ৰ উপ-ধাৰা (১) ৰ অধীনত গঠিত কেন্দ্ৰীয় তথ্য আয়োগ;

(গ) কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী মানে উপ-ধাৰা (১) ৰ অধীনত পদাভিহিত কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী ; আৰু ধাৰা ৫ ৰ উপ-ধাৰা (২) ৰ অধীনত এনেদৰে পদাভিহিত কোনো কেন্দ্ৰীয় সহায়ক লোক তথ্য পদাধিকাৰী অন্তৰ্ভুক্ত হয় ;

(ঘ) "মুখ্য তথ্য আযুক্ত" আৰু তথ্য আযুক্ত মানে ধাৰা ১২ ৰ উপ-ধাৰা (৩) ৰ অধীনত নিযুক্ত মুখ্য তথ্য আযুক্ত আৰু তথ্য আযুক্ত ;

(ঙ) "সক্ষম প্ৰাধিকাৰী" মানে —

(i) লোক সভা বা কোনো ৰাজ্যৰ বিধান সভা বা এনে সভা থকা সংঘ ৰাজ্যক্ষেত্ৰৰ ক্ষেত্ৰত, অধ্যক্ষ আৰু ৰাজ্য পৰিষদ বা কোনো ৰাজ্যৰ বিধান পৰিষদৰ ক্ষেত্ৰত সভাপতি;

(ii) উচ্চতম ন্যায়ালয়ৰ ক্ষেত্ৰত, ভাৰতৰ মুখ্য ন্যায়াধীশ ;

(iii) কোনো উচ্চ ন্যায়ালয়ৰ ক্ষেত্ৰত, উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ;

(iv) সংবিধানৰ দ্বাৰা বা তাৰ অধীনত স্থাপিত বা গঠিত অন্য প্ৰাধিকৰণৰ ক্ষেত্ৰত, যথাস্থিতি, ৰাষ্ট্ৰপতি বা ৰাজ্যপাল ;

(v) সংবিধানৰ অনুচ্ছেদ ২৩৯ ৰ অধীনত নিযুক্ত প্ৰশাসক ;

(চ) "তথ্য" মানে কোনো ইলেক্ট্ৰনিক ৰূপত ধাৰণ কৰা অভিলেখ, দস্তাবেজ, জ্ঞাপন, ই-মেইল, মতামত, উপদেশ, প্ৰেছ বিজ্ঞপ্তি, পৰিপত্ৰ, আদেশ, সঞ্চালন বহী, সংবিদা, সংবাদ, কাগজ পত্ৰ, নমুনা, নক্সা, দাতা সম্বন্ধীত সামগ্ৰী, আৰু কোনো ব্যক্তিগত নিকায় সম্বন্ধীত তথ্য যিটো তৎসময়

# অধ্যায় ২

## তথ্য অধিকাৰ আৰু লোক প্ৰাধিকাৰীৰ বাধ্যতা

তথ্যৰ অধিকাৰ।

৩। এই অধিনিয়মৰ উপবন্ধাৱলীৰ সাপেক্ষে, সকলো নাগৰিকৰ তথ্যৰ অধিকাৰ থাকিব ;

লোক প্ৰাধিকাৰীৰ বাধ্যতা।

৪।(১) প্ৰত্যেক লোক প্ৰাধিকাৰীয়ে ––

(ক) ইয়াৰ সকলো অভিলেখ সম্যকভাবে তালিকা ভুক্ত আৰু সূচীবদ্ধ এনে নীতি বা ৰূপত ৰাখিব যিটো এই অধিনিয়মৰ অধীনত তথ্যৰ অধিকাৰ সুচল কৰি ৰাখে আৰু সুনিশ্চিত কৰিব যে সকলো অভিলেখ কম্পিউটাৰ কৃত কৰাৰ বাবে সমুচিত হয়, কোনো যুক্তিযুক্ত সময়ৰ ভিতৰত আৰু উৎসৰ সহজলভ্যতাৰ সাপেক্ষে কম্পিউটাৰ আৰু বিভিন্ন পদ্ধতিত সমগ্ৰ দেশৰ নেটৱৰ্কৰ মাধ্যমেদি সম্পৰ্কীত কৰা হয় যাতে এনে অভিলেখত তথ্য ঢুকি পাবলৈ সুচল হয় ;

(খ) এই অধিনিয়মৰ অধিনিয়মিতিৰ পৰা এশ বিশ দিনৰ ভিতৰত প্ৰকাশ কৰিব ––

(i) ইয়াৰ সংগঠনৰ সবিশেষ, কৃত্য আৰু কৰ্ত্তব্যসমূহ ;

(ii) ইয়াৰ পদাধিকাৰী আৰু কৰ্ম্মচাৰী বৃন্দৰ ক্ষমতা আৰু কৰ্ত্তব্যসমূহ ;

(iii) অবেক্ষণ আৰু উত্তৰাদায়িত্বতাৰ সংযোগ মাধ্যমক অন্তৰ্ভুক্ত কৰি সিদ্ধান্ত লোৱা প্ৰক্ৰিয়াত অনুসৰণ কৰিবলগীয়া পদ্ধতি ;

(iv) ইয়াৰ কৃত্যসমূহ নিৰ্বহনৰ বাবে ইয়াৰ দ্বাৰা স্থিৰ কৰা সাধাৰণ মানক ;

(v) ইয়াৰ দ্বাৰা বা ইয়াৰ নিয়ন্ত্ৰণাধীনত ৰখা বা ইয়াৰ কৰ্ম্মচাৰী দ্বাৰা ইয়াৰ কৃত্যসমূহ নিৰ্বহনৰ বাবে প্ৰয়োগ কৰা নিয়ম, বিনিয়ম, অনুদেশ, ব্যৱস্থা পুথি আৰু অভিলেখ ;

(vi) এনে দস্তাবেজ প্ৰবৰ্গৰ বিবৃতি যিবোৰ ইয়াৰ দ্বাৰা বা ইয়াৰ নিয়ন্ত্ৰণাধীনত গ্ৰহণ কৰা হয় ;

(vii) কোনো ব্যৱস্থাৰ সবিশেষ যিটো ইয়াৰ নীতিৰ সংৰচনা বা তাৰ প্ৰয়োগৰ সম্বন্ধত জনতাৰ সদস্যৰ পৰামৰ্শৰ বাবে বা তাৰ দ্বাৰা প্ৰতিনিধিত্বৰ বাবে বিদ্যমান হয়;

(viii) দুজন বা অধিক ব্যক্তিৰে গঠিত ইয়াৰ ভাগ ৰূপে থকা বা ইয়াৰ উপদেশৰ প্ৰয়োজনাৰ্থে গঠন কৰা বোৰ্ড, পৰিষদ, সমিতি আৰু অন্য নিকায়ৰ বিৱৰণ আৰু সেই বোৰ্ড, পৰিষদ, সমিতি আৰু অন্য নিকায়ৰ সভা জনতাৰ বাবে মুকলি থাকিবনে নাই বা এনে সভাৰ কাৰ্য্য বিৱৰণ জনতাৰ বাবে সুলভ্য হবনে নহয়, তাৰ বিৱৰণ ;

(ix) ইয়াৰ পদাধিকাৰী আৰু কৰ্ম্মচাৰীবৃন্দৰ কোনো নিৰ্দ্দেশিকা ;

(x) ইয়াৰ বিনিয়মনত উপবন্ধিত কৰা দৰে ক্ষতিপূৰণৰ প্ৰণালীক অন্তৰ্ভুক্ত কৰি ইয়াৰ প্ৰত্যেক পদাধিকাৰী আৰু কৰ্ম্মচাৰী বৃন্দৰ দ্বাৰা প্ৰাপ্ত হোৱা মাহিলি পাৰিশ্ৰমিক ;

(xi) সকলো আঁচনি, প্ৰস্তাৱিত ব্যয় আৰু বিতৰণৰ প্ৰতিবেদনৰ সবিশেষ প্ৰদৰ্শন কৰি, ইয়াৰ প্ৰত্যেক অভিকৰ্ত্তালৈ আবণ্টিত কৰা বাজেট ;

(xii) আবণ্টিত ধনৰাশি বা এনে কৰ্ম্মসূচীৰ লাভজনক বিতং অন্তৰ্ভুক্ত কৰি সাহায্য কৰ্ম্মসূচীৰ নিষ্পাদনৰ ৰীতি ;

(xiii) ইয়াৰ দ্বাৰা মঞ্জুৰ হোৱা সমনুদান, অনুমতি বা প্ৰাধিকৰণৰ গ্ৰহণকাৰীৰ সবিশেষ ;

(xiv) কোনো ইলেক্ট্ৰনিক ৰূপত হ্ৰাস কৰা, ইয়াৰ দ্বাৰা সহজলভ্য বা ধাৰণ কৰা তথ্যৰ ক্ষেত্ৰত বিতংসমূহ ;

(xv) কোনো পুথিভঁড়াল বা পঢ়া কোঠালীৰ কৰ্ম্ম সময় অন্তৰ্ভুক্ত কৰি, যদি ৰাজহুৱা ব্যৱহাৰৰ বাবে ৰখা হয়, তথ্যৰ পাবৰ বাবে নাগৰিকলৈ সহজলভ্য সুবিধাৰ সবিশেষ;

(xvi) লোক তথ্য পদাধিকাৰীৰ নাম, পদবী, অন্য সবিশেষ ;

(xvii) এনে অন্য তথ্য যিদৰে বিহিত কৰিব পাৰে, আৰু তাৰ পাচত প্ৰত্যেক বছৰে এইবোৰ শেহতীয়া কথা অন্তৰ্ভুক্ত কৰি প্ৰকাশন কৰিব ;

(গ) সকলো প্ৰাসঙ্গিক তথ্য প্ৰকাশ কৰিব যেতিয়া গুৰুত্বপূৰ্ণ নীতি নিৰূপন কৰা হয় বা সিদ্ধান্ত ঘোষণা কৰা হয় যিয়ে জনতাক প্ৰভাৱিত কৰে ;

(ঘ) প্ৰভাৱিত হোৱা ব্যক্তিলৈ ইয়াৰ প্ৰশাসন মূলক আৰু অৰ্দ্ধন্যায়িক সিদ্ধান্তৰ বাবে কাৰণসমূহ উপবন্ধিত কৰিব।

(২) এইটো প্ৰত্যেক লোক প্ৰাধিকাৰীৰ অবিৰাম প্ৰয়াস হব যে উপ-ধাৰা (১) ৰ খণ্ড (খ)ৰ অপেক্ষাৰ অনুসাৰে যোগাযোগ ব্যৱস্থাৰ বিভিন্ন মাধ্যমেৰে নিয়মিত ব্যৱধানত জনসাধাৰণলৈ, ইণ্টাৰনেট অন্তৰ্ভুক্ত কৰি, এনে অধিক তথ্য লাভ কৰিবলৈ ব্যৱস্থা কৰিব, যাতে জনসাধাৰণে তথ্য লাভ কৰিবলৈ এই অধিনিয়মৰ ব্যৱহাৰৰ নিম্নতম উপায় গ্ৰহণ কৰিব পাৰে ।

(৩) উপ-ধাৰা (১) ৰ প্ৰয়োজনাৰ্থে প্ৰত্যেক তথ্য বিস্তৃত বা এনে ৰূপত আৰু ৰীতিত পৰিপ্ৰসাৰণ কৰা হব যিটো জনসাধাৰণলৈ সহজে সুলভ্য হয়।

(৪) সকলো সামগ্ৰী বিনিময় মূল্য প্ৰভাৱশীলতা, স্থানীয় ভাষা আৰু সেই স্থানীয় এলেকাত যোগাযোগ ব্যৱস্থাৰ অধিকতম প্ৰভাৱী পদ্ধতি বিবেচনা কৰি পৰিপ্ৰসাৰণ কৰা হব আৰু তথ্য কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক তথ্য পদাধিকাৰীৰ ওচৰত ইলেক্ট্ৰনিক ৰূপত সম্ভৱ সীমালৈকে মুক্ত বা মাধ্যমৰ এনে বিনিময় মূল্য বা ব্যয় মূল্য খৰচৰ ওচৰত, বিহিত কৰা দৰে সহজে সুলভ্য হব ।

স্পষ্টীকৰণ— উপ-ধাৰা (৩) আৰু (৪) ৰ প্ৰয়োজনাৰ্থে "পৰিপ্ৰসাৰণ" মানে জাননী বোৰ্ড, বাতৰি কাকত, লোক ঘোষণা, প্ৰচাৰ মাধ্যম, ইণ্টাৰনেট বা কোনো অন্য মাধ্যমৰ জৰিয়তে য'ত কোনো লোক প্ৰাধিকাৰী কাৰ্য্যালয়ৰ নিৰীক্ষণ অন্তৰ্ভুক্ত কৰি জনসাধাৰণক তথ্য জনোৱা বা যোগাযোগ কৰা।

লোক তথ্য পদাধিকাৰীৰ পদবী ।

৫। (১) প্ৰত্যেক লোক পদাধিকাৰীয়ে এই অধিনিয়মৰ অধিনিয়মিতিৰ এশ দিনৰ ভিতৰত সকলো প্ৰশাসনিক একক বা ইয়াৰ অধীনৰ কাৰ্য্যালয়ত, কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক লোক তথ্য পদাধিকাৰী ৰূপে যি এই অধিনিয়মৰ অধীনত তথ্যৰ বাবে অনুৰোধ কৰা ব্যক্তিলৈ তথ্য উপবন্ধিত কৰিবলৈ আৱশ্যক হোৱা দৰে সিমান বোৰ পদাধিকাৰীক পদাভিহিত কৰিব।

(২) উপ-ধাৰা (১) ৰ উপবন্ধত প্ৰতিকূল প্ৰভাব নেপেলোৱাকৈ প্ৰত্যেক লোক প্ৰাধিকাৰীয়ে এই অধিনিয়মৰ অধিনিয়মিতিৰ এশ দিনৰ ভিতৰত কোনো পদাধিকাৰীৰ প্ৰত্যেক উপ-মণ্ডল স্তৰ বা অন্য উপ-জিলা স্তৰত কোনো কেন্দ্ৰীয় সহকাৰী লোক তথ্য পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক সহকাৰী লোক তথ্য পদাধিকাৰীয়ে এই অধিনিয়মৰ অধীনত তথ্যৰ বাবে আবেদন বা

আপীল প্ৰাপ্ত কৰিবলৈ কেন্দ্ৰীয় লোক পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক লোক তথ্য পদাধিকাৰী বা ধাৰা ১৯ ৰ উপ-ধাৰা (১) ৰ অধীনত বিনিৰ্দ্দিষ্ট কৰা জ্যেষ্ঠ পদাধিকাৰী বা কেন্দ্ৰীয় তথ্য আয়োগ বা ৰাজ্যিক তথ্য আয়োগক সেইবোৰ শীঘ্ৰে পঠিয়াবলৈ পদাভিহিত কৰিব ঃ

পৰন্তু য'ত কোনো তথ্য বা আপীলৰ বাবে কোনো আবেদন, কোনো কেন্দ্ৰীয় সহকাৰী লোক তথ্য পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক সহকাৰী লোক তথ্য পদাধিকাৰীক দিয়া হয়, তাত ধাৰা ৭ ৰ উপ-ধাৰা (১) ৰ অধীনত বিনিৰ্দ্দিষ্ট উত্তৰৰ বাবে গণনা কৰা পাঁচ দিনৰ অবধি যোগ দিয়া হ'ব।

(৩) প্ৰত্যেক কেন্দ্ৰীয় লোক পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক লোক তথ্য পদাধিকাৰীয়ে তথ্য বিচৰা ব্যক্তিসকলৰ অনুৰোধত কাম কৰিব আৰু এনে তথ্য বিচৰা ব্যক্তিসকলক যুক্তি-যুক্ত সহায়তা কৰিব।

(৪) কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক লোক পদাধিকাৰীয়ে কোনো অন্য পদাধিকাৰীৰ সহায়তা বিচাৰিব পাৰে যিদৰে তেওঁ বা তাই কৰ্ত্তব্যসমূহ উচিত নিৰ্বহনৰ বাবে আৱশ্যক বুলি বিবেচনা কৰে।

(৫) কোনো পদাধিকাৰীয়ে, যাৰ সহায়তা উপ-ধাৰা (৪) ৰ অধীনত বিচৰা হৈছে তেওঁৰ বা তাইৰ সহায়তা বিচৰা কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক লোক তথ্য পদাধিকাৰীক সকলো সহায়তা দিয়া হ'ব, আৰু এই অধিনিয়মৰ উপবন্ধ উলংঘন কৰাৰ প্ৰয়োজনাৰ্থে এনে অন্য পদাধিকাৰীক, কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক লোক তথ্য পদাধিকাৰী ৰূপে গণ্য কৰা হ'ব।

**তথ্য পাবৰ বাবে অনুৰোধ।**

৬। (১) কোনো ব্যক্তি, যিজনে এই অধিনিয়মৰ অধীনত কোনো তথ্য লাভ কৰিবলৈ ইচ্ছা কৰে, লিখিত ভাবে বা ইলেক্ট্ৰনিক মাধ্যমেদি ইংৰাজী বা হিন্দীত বা সেই এলেকাৰ চৰকাৰী ভাষাত কৰা আবেদনত বিহিত কৰা দৰে এনে মাচুল সহ —

(ক) সংশ্লিষ্ট লোক পদাধিকাৰীৰ কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক লোক তথ্য পদাধিকাৰীলৈ ;

(খ) কেন্দ্ৰীয় সহকাৰী লোক তথ্য পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক সহকাৰী লোক পদাধিকাৰীলৈ তেওঁ বা তাইৰ দ্বাৰা বিচৰা তথ্যৰ সবিশেষ বিনিৰ্দ্দিষ্ট কৰি অনুৰোধ কৰিবঃ

পৰন্তু য'ত এনে অনুৰোধ লিখিত ভাবে দিব নোৱাৰে, তাত, কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক লোক তথ্য পদাধিকাৰীয়ে মৌখিক ভাৱে অনুৰোধ কৰা ব্যক্তিক লিখিত ভাৱে সেইটো হ্ৰাস কৰিবলৈ সকলো যুক্তিযুক্ত সহায়তা প্ৰদান কৰিব।

(২) তথ্যৰ বাবে অনুৰোধ কৰা কোনো আবেদকক তথ্যৰ অনুৰোধৰ বাবে বা কোনো অন্য ব্যক্তিগত বিতং ব্যতিৰেকে যিবোৰ তেওঁক যোগাযোগ কৰাৰ বাবে আৱশ্যক হয়, দিবলৈ অপেক্ষিত কৰা নহ'ব।

(৩) য'ত কোনো লোক প্ৰাধিকাৰীক কোনো তথ্যৰ অনুৰোধ কৰি আবেদন কৰা হয় -

(i) যিটো কোনো অন্য লোক প্ৰাধিকাৰীৰ দ্বাৰা ধাৰণ কৰা হয়, বা

(ii) যিটোৰ বিষয় বস্তু অন্য লোক প্ৰাধিকাৰীৰ কৃত্যসমূহৰ সৈতে নিবিড় ভাবে সম্পৰ্কিত হয়,

লোক প্ৰাধিকাৰীয়ে, যিজনলৈ এনে আবেদন কৰা হয়, আবেদন বা ইয়াৰ এনে অংশ সেই অন্য লোক প্ৰাধিকাৰীলৈ সমুচিত হোৱাৰ দৰে, অন্তৰিত কৰিব আৰু এনে অন্তৰণৰ বিষয়ে আবেদকক শীঘ্ৰেই জনাব ঃ

পৰন্তু এই উপ-ধাৰা অনুসৰণত কোনো আবেদনৰ অন্তৰণ যথাশীঘ্ৰে প্ৰয়োগ সাধ্য কৰা হ'ব, কিন্তু কোনো ক্ষেত্ৰত আবেদনৰ প্ৰাপ্তিৰ তাৰিখৰ পৰা পাঁচ দিনৰ পাচত কৰা নহ'ব।

অনুৰোধৰ নিষ্পত্তি।

৭। (১) ধাৰা ৫ ৰ উপ-ধাৰা (২) ৰ পৰন্তুক বা ধাৰা ৬ ৰ উপ-ধাৰা (৩) পৰন্তুকৰ সাপেক্ষে ধাৰা ৬ ৰ অধীনত কোনো অনুৰোধৰ প্ৰাপ্তিত, কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক লোক তথ্য পদাধিকাৰীয়ে যথাসম্ভৱ শীঘ্ৰেই আৰু কোনো ক্ষেত্ৰত অনুৰোধ প্ৰাপ্তিৰ ত্ৰিশ দিনৰ ভিতৰত, হয় বিহিত কৰা দৰে এনে মাচুল আদায় দিয়াত, তথ্য উপস্থিত কৰিব বা ধাৰা ৮ বা ৯ ত বিনিৰ্দ্দিষ্ট কৰা কাৰণসমূহৰ কোনোটোৰ বাবে অনুৰোধ প্ৰত্যাখ্যান কৰিবঃ

পৰন্তু য'ত কোনো ব্যক্তিৰ জীৱন বা স্বতন্ত্ৰতাৰ সম্পৰ্কত তথ্য বিচৰা হয়, অনুৰোধ প্ৰাপ্তিৰ আঠচল্লিশ ঘণ্টাৰ ভিতৰত সেইবোৰ উপবন্ধিত কৰা হব।

(২) যদি, কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক লোক তথ্য পদাধিকাৰীয়ে উপ-ধাৰা (১) ৰ অধীনত বিনিৰ্দ্দিষ্ট কৰা অবধিৰ ভিতৰত তথ্যৰ বাবে অনুৰোধত সিদ্ধান্ত দিবলৈ অসফল হয় কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক লোক তথ্য পদাধিকাৰীয়ে অনুৰোধটো নামঞ্জুৰ কৰিছে বুলি গণ্য কৰা হব।

(৩) য'ত কোনো তথ্য উপবন্ধিত কৰা ব্যয়ৰ বাবে কোনো অতিৰিক্ত মাচুল আদায় দিয়াত তথ্য উপবন্ধিত কৰিবলৈ সিদ্ধান্ত লোৱা হয়, কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক লোক তথ্য পদাধিকাৰীয়ে অনুৰোধ কৰা ব্যক্তিলৈ —

(ক) তথ্য যোগান ধৰা ব্যয়ৰ বাবে অতিৰিক্ত মাচুলৰ বিতংসমূহ যিদৰে তেওঁৰ দ্বাৰা নিৰ্দ্ধাৰিত কৰা হৈছে উপ-ধাৰা (১) ৰ অধীনত বিহিত কৰা মাচুল অনুসাৰে একেলগে ধন ৰাশি উলিয়াবলৈ সংগণনা কৰি, তেওঁক সেই মাচুল জমা দিবলৈ অনুৰোধ কৰি আৰু উক্ত সংসূচনা প্ৰেৰণ আৰু মাচুল আদায়ৰ মাজৰ ব্যৱধান কালচোৱাত, সেই উপ-ধাৰাত নিৰ্দ্দেশিত ত্ৰিশ দিনৰ এটা অবধি সংগণনা কৰাৰ প্ৰয়োজনাৰ্থে বাদ দিয়া হব।

(খ) আপীল প্ৰাধিকাৰীৰ সবিশেষ; সময় সীমা, প্ৰক্ৰিয়া আৰু কোনো অন্য প্ৰপত্ৰ অন্তৰ্ভুক্ত কৰি আৰোপিত মাচুলৰ পৰিমাণ বাউপবন্ধিত তথ্য ঢুকি পোৱা প্ৰপত্ৰৰ বিষয়ে সিদ্ধান্তৰ পুনৰ বিলোকন সম্বন্ধে কৰিবলৈ তেওঁৰ বা তাইৰ অধিকাৰৰ সংশ্লিষ্ট তথ্যৰ কোনো সংসূচনা পঠিয়াব।

(৪) য'ত এই অধিনিয়মৰ অধীনত অভিলেখ বা তাৰ অংশ তথ্য ঢুকি পোৱাতো কৰিবলৈ অপেক্ষিত কৰা হয় আৰু এনে ব্যক্তি যিজনক তথ্য ঢুকি পাবলৈ উপবন্ধিত কৰা হয়, যি জন সংজ্ঞাবাহী ভাৱে অসমৰ্থ হয়, কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক লোক তথ্য পদাধিকাৰীৰ, নিৰীক্ষনৰ বাবে সমুচিত হোৱা দৰে এনে সহায়তাৰ প্ৰৱন্ধ কৰণ অন্তৰ্ভুক্ত কৰি তথ্য ঢুকি পোৱাতো সমৰ্থ্যবান কৰিবলৈ সহায়তা যোগাব।

(৫) য'ত তথ্য ঢুকি পাবলৈ মুদ্ৰিত বা কোনো ইলেক্ট্ৰনিক প্ৰতিৰূপত উপবন্ধিত কৰা হয়, আবেদকে উপ-ধাৰা (৬)ৰ উপবন্ধৰ সাপেক্ষে, বিহিত কৰা দৰে এনে মাচুল আদায় দিবঃ

পৰন্তু ধাৰা ৬ ৰ উপ-ধাৰা (১) আৰু ধাৰা ৭ৰ উপ-ধাৰা (১) আৰু (৫)ৰ অধীনত বিহিত কৰা মাচুল যুক্তিযুক্ত হব আৰু সমুচিত চৰকাৰে অৱধাৰিত কৰা দৰে এনে মাচুল ব্যক্তিসকলৰ ওপৰত আৰোপ কৰা নহব যিসকল দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত হয়।

(৬) উপ-ধাৰা (৫)ত কোনো কথা থকা স্বত্বেও তথ্যৰ বাবে অনুৰোধ কৰা ব্যক্তিক প্ৰভাৰ মুক্ত তথ্য উপবন্ধিত কৰা হব য'ত লোক প্ৰাধিকাৰীয়ে উপ-ধাৰা (১)ত বিনিৰ্দ্দিষ্টকৰা দৰে সময় সীমা পালন কৰিবলৈ অসফল হয়।

(৭) উপ-ধাৰা (১)ৰ অধীনত কোনো সিদ্ধান্ত লোৱাৰ পূৰ্বে কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক লোক তথ্য পদাধিকাৰীয়ে ধাৰা ১১ৰ অধীনত কোনো তৃতীয় পক্ষৰ দ্বাৰা নিবেদন কৰা বুলি বিবেচনা কৰিব।

(৮) য'ত কোনো অনুৰোধ উপ-ধাৰা (১)ৰ অধীনত প্ৰত্যাখ্যান কৰা হৈছে, কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক তথ্য পদাধিকাৰীয়ে অনুৰোধ কৰা ব্যক্তিক, —

(i) এনে প্ৰত্যাখ্যানৰ কাৰণ ;

(ii) অৱধি যিটোৰ ভিতৰত এনে প্ৰত্যাখ্যানৰ বিৰুদ্ধে আপীল কৰিব পাৰিব ; আৰু

(iii) আপীল প্ৰাধিকাৰীৰ সবিশেষ যোগাযোগ কৰিব।

(৯) কোনো তথ্য সচৰাচৰ প্ৰপত্ৰত যোগান ধৰা হব যিটো প্ৰপত্ৰত বিচৰা হৈছে, যদিহে এইটো লোক প্ৰাধিকাৰীৰ সম্পদৰ অসমানুপাতিক ভাৱে ভিন্নমুখী কৰা নহয় বা প্ৰশ্নগত অভিলেখ সুৰক্ষা বা আৰক্ষণৰ ক্ষতিকাৰক নহয়।

তথ্য প্ৰকটকৰণৰ পৰা অব্যাহতি ।

৮।(১) এই অধিনিয়মত কোনো কথা থকা স্বত্বেও নাগৰিকক কোনো নিম্নলিখিত বোৰ দিবলৈ বাধ্য নহব-

(ক) তথ্য, যিটোৰ প্ৰকটকৰণত ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা, ৰাজ্যৰ সুৰক্ষা, ৰণনীতি, বৈজ্ঞানিক বা আৰ্থিক হিত, বিদেশী ৰাজ্যৰ সম্বন্ধত প্ৰতিকূল প্ৰভাৱ পৰে বা কোনো অপৰাধ কৰাৰ বাবে প্ৰৰোচনা কৰে;

(খ) তথ্য, যিটো বিধিৰ ন্যায়ালয় বা ন্যায়াধিকৰণৰ দ্বাৰা প্ৰকাশিত হোৱা বুলি অভিব্যক্ত ৰূপে নিষিদ্ধ কৰা হৈছে বা যিটোৰ প্ৰকটকৰণত ন্যায়ালয়ৰ অৱমাননা হব ;

(গ) তথ্য, যিটো প্ৰকটকৰণত সংসদ বা ৰাজ্যিক বিধান মণ্ডলৰ বিশেষাধিকাৰ ভঙ্গ হব;

(ঘ) বাণিজ্যিক বিশ্বাস, ব্যৱসায়ৰ গোপনীয়তা বা বুদ্ধিগত সম্পদ অন্তৰ্ভুক্ত কৰি তথ্য, যিটোৰ প্ৰকটকৰণত কোনো তৃতীয় পক্ষৰ প্ৰতিযোগিতা মূলক স্থানৰ ক্ষতি হয়, যদিহে সক্ষম প্ৰাধিকাৰী সন্তুষ্ট নহয় যে এনে তথ্যৰ প্ৰকটকৰণত সৰহ লোকৰ হিত নিশ্চিত হয়;

(ঙ) কোনো ব্যক্তিৰ তেওঁৰ প্ৰত্যয়জনক সম্বন্ধত সহজলভ্য তথ্য, যদিহে সক্ষম প্ৰাধিকাৰী সন্তুষ্ট নহয় যে এনে তথ্যৰ প্ৰকটকৰণত সৰহ জনসাধাৰণৰ হিত নিশ্চিত হয় ;

(চ) বিদেশী চৰকাৰৰ পৰা বিশ্বাসত প্ৰাপ্ত তথ্য ;

(ছ) তথ্য, যিটোৰ প্ৰকটকৰণে কোনো ব্যক্তিৰ জীৱন বা শাৰিৰীক সুৰক্ষা বিপন্ন কৰিব বা বিধি বলবৎকৰণ বা সুৰক্ষাৰ প্ৰয়োজনাৰ্থে বিশ্বাসত দিয়া তথ্য বা সহায়তাৰ উৎস চিনাক্ত কৰিব;

(জ) তথ্য, যিটো অপৰাধীৰ অনুসন্ধান, গ্ৰেপ্তাৰ বা অভিযোজনাৰ প্ৰক্ৰিয়াত অন্তৰায় হয়;

(ঝ) মন্ত্ৰী পৰিষদ, সচিব আৰু আন পদাধিকাৰীৰ বিচাৰ বিবেচনাৰ অভিলেখ অন্তৰ্ভুক্ত কৰি মন্ত্ৰীমণ্ডলৰ কাগজপত্ৰঃ

পৰন্তু মন্ত্ৰী পৰিষদৰ সিদ্ধান্ত, তাৰ কাৰণ, আৰু যিটো বিষয়ৰ ভিত্তিত সিদ্ধান্ত লোৱা হৈছিল আৰু বিষয়টো সম্পূৰ্ণ বা সমাপ্ত হোৱাৰ পাচত জনসাধাৰণক দিয়া হবঃ

উপৰন্তু সেইবোৰ বিষয়, যিবোৰ এই ধাৰাত বিনিৰ্দ্দিষ্ট অব্যাহতিৰ অধীনত আছে, প্ৰকাশ কৰা নহব ;

(ঞ) তথ্য, যিটোৰ ব্যক্তিগত তথ্য সম্বন্ধত, যিটোৰ প্ৰকটকৰণত কোনো লোক কাৰ্য্যকলাপ বা হিত সম্বন্ধ নাথাকে, বা যিটো ব্যক্তিত্বৰ গোপনীয়তাত অপ্ৰত্যাভূত হস্তক্ষেপ হয়, যদিহে কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক লোক তথ্য পদাধিকাৰী বা আপীল প্ৰাধিকাৰী সন্তুষ্ট নহয় যে এনে তথ্যৰ প্ৰকটকৰণত সৰহ লোকৰ হিতৰ ন্যায়বিচাৰ হয় ঃ

পৰন্তু তথ্য, যিটো সংসদ বা কোনো ৰাজ্যিক বিধান মণ্ডললৈ নুই কৰিব নোৱাৰি, কোনো ব্যক্তিলৈ নুই কৰিব নোৱাৰি।

১৯২৩ৰ ১৯

(২)চৰকাৰী গুপ্ত অধিনিয়ম, ১৯২৩ত নাইবা উপ-ধাৰা (১)ৰ অনুসাৰে অনুমতি সাধ্য অব্যাহতিবোৰত কোনো কথা থকা স্বত্বেও কোনো লোক প্ৰাধিকাৰীয়ে তথ্য ঢুকি পোৱাত অনুমতি দিব, যদি প্ৰকটকৰণত লোক হিত সুৰক্ষিত হিতৰ ক্ষতিৰ অধিক হয়।

(৩) উপ-ধাৰা (১)ৰ খণ্ড (ক), (গ) আৰু (ঝ) ৰ উপবন্ধৰ সাপেক্ষে কোনো সংঘটন, ঘটনা বা বিষয়ৰ সম্বন্ধীত কোনো তথ্য, যিটো ধাৰা ৬ৰ অধীনত কোনো অনুৰোধ কৰা তাৰিখৰ বিশ বছৰৰ পূৰ্বে ঘটিছিল, সংঘটিত হৈছে বা কৰা হৈছিল সেই ধাৰাৰ অধীনত কোনো অনুৰোধ কৰা ব্যক্তিলৈ উপবন্ধিত কৰা হব ঃ

পৰন্তু য'ত তাৰিখৰ বিষয়ে প্ৰশ্ন উদ্ভৱ হয়, যি তাৰিখৰ পৰা উক্ত বিশ বছৰ কাল সংগনণা কৰা হব, কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্ত এই অধিনিয়মৰ বাবে উপবন্ধিত প্ৰথাগত আপীলৰ সাপেক্ষে চূড়ান্ত হব।

কেতবোৰ ক্ষেত্ৰত তথ্য ঢুকি পোৱাৰ প্ৰত্যাখ্যানৰ কাৰণবোৰ।

৯। ধাৰা ৮ৰ উপবন্ধবোৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ, কোনো কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী বা যথাস্থিতি কোনো ৰাজ্যিক লোক তথ্য পদাধিকাৰীয়ে তথ্যৰ বাবে কোনো অনুৰোধ প্ৰত্যাখ্যান কৰিব পাৰে য'ত তথ্য ঢুকি পোৱা উপবন্ধিত কৰাৰ বাবে এনে কোনো অনুৰোধ ৰাজ্য অন্যথা কোনো ব্যক্তিৰ অস্তিত্ব যোগ্য প্ৰতিলিপি অধিকাৰ কোনো উলঙ্ঘণত লিপ্ত হব।

পৃথককৰণীয়তা ।

১০। (১) য'ত, তথ্য ঢুকি পোৱাৰ বাবে কোনো অনুৰোধ এনে আধাৰত প্ৰত্যাখ্যান কৰা হয় যে এইটো এনে তথ্যৰ সম্বন্ধত, যিটো প্ৰকটকৰণৰ পৰা অব্যাহতি দিয়া হৈছে, তেতিয়া এই অধিনিয়মত কোনো কথা থকা স্বত্বেও, অভিলেখৰ সেই অংশত তথ্য ঢুকি পোৱাটো উপবন্ধিত কৰিব পাৰি যিটোত কোনো তথ্য অন্তৰ্বিষ্ট নাথাকে, যিটোক এই অধিনিয়মৰ অধীনত প্ৰকটকৰণৰ পৰা অব্যাহতি দিয়া হয় আৰু যিটোক কোনো অংশৰ পৰা যিটোত বেহাই তথ্য অন্তৰ্বিষ্ট আছে যুক্তিযুক্ত ৰূপত পৃথক কৰিব পাৰি।

(২) য'ত উপ-ধাৰা (১) ৰ অধীনত অভিলেখৰ কোনো অংশত তথ্য ঢুকি পোৱাতো মঞ্জুৰ কৰা হয়, কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক লোক তথ্য পদাধিকাৰীয়ে আবেদনকাৰীলৈ জাননী দিব যে—

(ক) অনুৰোধ কৰা অভিলেখৰ মাথোন সেইটো অংশ, তথ্য অন্তৰ্বিষ্ট থকা সেই অভিলেখ পৃথকৰণৰ পাচত যিটো তথ্য প্ৰকটকৰণৰ পৰা অব্যাহতি দিয়া হৈছে, উপবন্ধিত কৰা হৈছে ;

(খ) তথ্যৰ কোনো বাস্তৱিক প্ৰশ্নত কোনো ৰায় অন্তৰ্ভুক্ত কৰি, বাস্তৱিক প্ৰসঙ্গত সিদ্ধান্তৰ বাবে যুক্তিবোৰ যিটোৰ ওপৰত সেইবোৰ ৰায় ভিত্তি কৰা হৈছে ;

(গ) সিদ্ধান্ত দিয়া ব্যক্তিজনৰ নাম আৰু পদবী ;

(ঘ) তেওঁ বা তাইৰ দ্বাৰা গণনা কৰা মাচুলৰ বিতংসমূহ আৰু মাচুলৰ পৰিমাণ যিটো

জমা দিবলৈ আবেদকক অপেক্ষিত কৰা হয়; আৰু

(ঙ) তথ্যৰ ভাগ প্ৰকটকৰণ নকৰা সম্পৰ্কে সিদ্ধান্ত পুনৰীক্ষণৰ সম্পৰ্কত, তেওঁ বা তাইৰ অধিকাৰ, ধাৰা ১৯ ৰ উপ-ধাৰা (১)ত বিনিৰ্দ্দিষ্ট কৰা জ্যেষ্ঠ পদাধিকাৰী বা কেন্দ্ৰীয় তথ্য আয়োগ বা যথাস্থিতি ৰাজ্যিক আয়োগৰ সবিশেষ অন্তৰ্ভুক্ত কৰি প্ৰভাৱিত মাচুলৰ ৰাশি বা উপবন্ধিত তথ্য ঢুকি পোৱাৰ প্ৰপত্ৰ, সময়সীমা, প্ৰক্ৰিয়া আৰু তথ্যৰ ঢুকিপোৱাৰ আনকোনো প্ৰপত্ৰ।

তৃতীয় পক্ষৰ তথ্য।

১১। (১) য'ত কোনো কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী বা যথাস্থিতি কোনো ৰাজ্যিক তথ্য পদাধিকাৰীয়ে এই অধিনিয়মৰ অধীনত কৰা অনুৰোধত কোনো তথ্য বা অভিলেখ বা তাৰ কোনো ভাগ প্ৰকট কৰিবলৈ অভিপ্ৰেত হয়, যিটো তৃতীয় পক্ষৰ সম্বন্ধীয় হয় বা তৃতীয় পক্ষৰ দ্বাৰা প্ৰদান কৰা হয় আৰু সেই তৃতীয় পক্ষৰ দ্বাৰা গোপনীয় ৰূপে মানি লোৱা হয়, কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক লোক তথ্য পদাধিকাৰীয়ে অনুৰোধ প্ৰাপ্তিৰ পৰা পাচ দিনৰ ভিতৰত এনে তৃতীয় পক্ষলৈ অনুৰোধ আৰু তথ্যৰ কোনো লিখিত জাননী দিব যে, কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক লোক তথ্য পদাধিকাৰীয়ে তথ্য বা অভিলেখ বা তাৰ কোনো ভাগ প্ৰকট কৰিবলৈ অভিপ্ৰেত হয়, আৰু তথ্য প্ৰকাশ হোৱা বা নোহোৱা সম্বন্ধত, লিখিত বা মৌখিক ভাৱে উপস্থাপন কৰিবলৈ তৃতীয় পক্ষক আমন্ত্ৰণ কৰিব পাৰে আৰু তৃতীয় পক্ষৰ এনে উপস্থাপন যেতিয়া তথ্য প্ৰকটকৰণৰ বিষয়ে সিদ্ধান্ত কৰা হয়, লক্ষ্যত ৰাখিবঃ

পৰন্তু বিধিৰ দ্বাৰা সংৰক্ষিত ব্যৱসায় বা বানিজ্যিক গোপনীয়তাৰ ক্ষেত্ৰ ব্যতিৰেকে প্ৰকাশকৰণৰ অনুমতি দিব পাৰে যদি প্ৰকাশকৰণত লোক হিত, এনে তৃতীয় পক্ষৰ হিতৰ সম্ভৱনা থকা হানি বা ক্ষতিৰ অধিক গুৰুত্বপূৰ্ণ হয়।

(২) য'ত কোনো জাননী উপ-ধাৰা (১) ৰ অধীনত কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক লোক তথ্য পদাধিকাৰীৰ দ্বাৰা কোনো তথ্য বা অভিলেখ বা তাৰ কোনো ভাগৰ সম্পৰ্কত তৃতীয় পক্ষলৈ জাননী জাৰি কৰা হয়, তৃতীয় পক্ষক এনে জাননী প্ৰাপ্তিৰ তাৰিখৰ পৰা দহ দিনৰ ভিতৰত প্ৰস্তাৱিত প্ৰকটকৰণৰ বিৰুদ্ধে নিবেদন কৰিবলৈ সুযোগ দিয়া হব।

(৩) ধাৰা ৭ত কোনো কথা থকা স্বত্বেও, কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰীয়ে বা যথাস্থিতি ৰাজ্যিক লোক তথ্য পদাধিকাৰীয়ে, ধাৰা ৬ৰ অধীনত অনুৰোধ প্ৰাপ্তিৰ পাচত চল্লিশ দিনৰ ভিতৰত, যদি তৃতীয় পক্ষৰ ব্যক্তিক উপ-ধাৰা (২)ৰ অধীনত নিবেদন কৰাৰ সুযোগ দিয়ে, তথ্য বা অভিলেখ বা তাৰ অংশ প্ৰকট কৰিবলৈ বা নকৰিবলৈ সিদ্ধান্ত লব আৰু তৃতীয় পক্ষলৈ তেওঁৰ সিদ্ধান্ত জাননী লিখিত ভাৱে দিব।

(৪) উপ-ধাৰা (৩)ৰ অধীনত দিয়া কোনো জাননীত কোনো বিবৃতি অন্তৰ্ভুক্ত কৰা হব যে তৃতীয় পক্ষ, যাক জাননী দিয়া হৈছে, ধাৰাৰ ১৯ৰ অধীনত সিদ্ধান্তৰ বিৰুদ্ধে আপীল কৰিবলৈ হক্‌দাৰ হব।

পদাবধি আৰু সেৱাৰ চৰ্ত্তাৱলী।

১৩। (১) মুখ্য তথ্য আয়ুক্তই তেওঁ পদ গ্ৰহণ কৰা তাৰিখৰ পৰা পাঁচ বছৰৰ অবধিৰ বাবে পদ ধাৰণ কৰিব আৰু পুনৰ নিযুক্তিৰ বাবে যোগ্য নহবঃ

পৰন্তু মুখ্য তথ্য আয়ুক্তই পয়ষষ্ঠী বছৰ বয়স প্ৰাপ্ত হোৱাৰ পাচত এনেদৰে পদ ধাৰণ কৰিব নোৱাৰিব।

(২) প্ৰত্যেক তথ্য আয়ুক্তই তেওঁৰ পদ গ্ৰহণ কৰা তাৰিখৰ পৰা পাঁচ বছৰৰ এটা অবধিৰ বাবে বা তেওঁৰ পয়ষষ্ঠী বছৰ বয়স হোৱালৈকে যিটোৱেই আগতীয়া হয়, পদ ধাৰণ কৰিব আৰু তথ্য আয়ুক্ত ৰূপে পুনৰ নিযুক্তিৰ বাবে যোগ্য নহবঃ

পৰন্তু প্ৰত্যেক তথ্য আয়ুক্তই এই উপ-ধাৰাৰ অধীনত তেওঁৰ পদৰিক্ত কৰাত ধাৰা ১২ ৰ উপ-ধাৰা (৩)ত বিনিৰ্দ্দিষ্ট কৰা ৰীতিত মুখ্য তথ্য আয়ুক্ত ৰূপে নিযুক্তিৰ বাবে যোগ্য হব ঃ

উপৰন্তু য'ত তথ্য আয়ুক্ত মুখ্য তথ্য আয়ুক্ত ৰূপে নিযুক্তি দিয়া হয়, তেওঁৰ পদৰ অবধি তথ্য আয়ুক্ত আৰু মুখ্য আয়ুক্ত ৰূপে সৰ্বমুঠ পাঁচ বছৰৰ অধিক নহব।

(৩) মুখ্য তথ্য আয়ুক্ত বা কোনো তথ্য আয়ুক্তই তেওঁৰ পদ গ্ৰহণ কৰাৰ পুৰ্বে ৰাষ্ট্ৰপতি বা সেই মৰ্মে তেওঁৰ দ্বাৰা নিযুক্ত কিছুমান অন্য ব্যক্তিৰ সমুখত প্ৰথম অনুসূচীৰ প্ৰয়োজনাৰ্থে উপবৰ্ণিত প্ৰপত্ৰৰ অনুসাৰে কোনো শপথ বা সত্যাৰ্পণ লব।

(৪) মুখ্য তথ্য আয়ুক্ত বা কোনো তথ্য আয়ুক্তই যি কোনো সময়ত ৰাষ্ট্ৰপতিক সম্বোধিত কৰি হস্তাক্ষৰে লিখিত ভাৱে, তেওঁ পদত্যাগ কৰিব পাৰেঃ

পৰন্তু মুখ্য তথ্য আয়ুক্ত বা কোনো তথ্য আয়ুক্তক ধাৰা ১৪ৰ অধীনত বিনিৰ্দ্দিষ্ট কৰা ৰীতিত অপসাৰিত কৰিব পাৰে।

(৫) সেৱাৰ দেয় বেতন আৰু ভাত্তা আৰু অন্য নিবন্ধন আৰু চৰ্ত্তাৱলী—

(ক) মুখ্য তথ্য আয়ুক্ত, মুখ্য নিৰ্বাচন আয়ুক্তৰ দৰে একেই হব;

(খ) কোনো তথ্য আয়ুক্ত, নিৰ্বাচন আয়ুক্তৰ দৰে একেই হব ঃ

পৰন্তু যদি মুখ্য তথ্য আয়ুক্ত বা কোনো তথ্য আয়ুক্তই নিজৰ নিযুক্তিৰ সময়ত ভাৰত চৰকাৰৰ অধীনত বা কোনো ৰাজ্য চৰকাৰৰ অধীনত কোনো পূৰ্ব সেৱাৰ ক্ষেত্ৰত কোনো পেঞ্চন, অক্ষমতা বা ক্ষতিৰ পেঞ্চনৰ অন্যথা প্ৰাপ্তি কৰে, মুখ্য তথ্য আয়ুক্ত বা কোনো তথ্য আয়ুক্ত ৰূপে তেওঁৰ সেৱাৰ সৰ্ম্পকত তেওঁৰ বেতন সেই পেঞ্চনৰ কোনো অংশ অন্তৰ্গত কৰি যিটো বিকল্প কৰা হৈছে আৰু অৱসৰপ্ৰাপ্ত পাৰিতোষিকৰ সমতুল্য পেঞ্চন বাদ দি অৱসৰ লাভ অন্য ৰূপে সমতুল্য পেঞ্চনৰ পৰিমাণৰ পৰা হ্ৰাস কৰা হব ঃ

উপৰন্তু যদি মুখ্য তথ্য আয়ুক্ত বা কোনো তথ্য আয়ুক্তই নিজৰ নিযুক্তিৰ সময়ত, কোনো কেন্দ্ৰীয় অধিনিয়ম বা ৰাজ্যিক অধিনিয়মৰ দ্বাৰা অধীনত বা স্থাপিত কোনো নিগমত বা কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্যিক চৰকাৰৰ দ্বাৰা মালিকানাধীন বা নিয়ন্ত্ৰিত কোনো চৰকাৰী কোম্পানীত সমৰ্পিত কোনো পূৰ্ব সেৱা সম্পৰ্কত অৱসৰ লাভ প্ৰাপ্তি কৰা সম্পৰ্কত মুখ্য তথ্য আয়ুক্ত বা কোনো তথ্য আয়ুক্ত ৰূপে তেওঁৰ সেৱা সম্পৰ্কত তেওঁৰ বেতন, অৱসৰ লাভৰ সমতুল্য বেতনৰ পৰিমাণৰ পৰা হ্ৰাস কৰা হব ঃ

অধিকন্তু মুখ্য তথ্য আয়ুক্ত আৰু কোনো তথ্য আয়ুক্তৰ বেতন, ভাত্তা আৰু সেৱাৰ আন চৰ্ত্তাৱলী তেওঁলোকৰ নিযুক্তিৰ পিচত অসুবিধা হোৱাকৈ পৰিবৰ্তন কৰা নহব।

(৬) কেন্দ্ৰীয় চৰকাৰে, মুখ্য তথ্য আয়ুক্ত আৰু তথ্য আয়ুক্তৰ এনে পদাধিকাৰী বা কৰ্ম্মচাৰী সহ এই অধিনিয়মৰ অধীনত তেওঁলোকৰ কৃত্যসমূহৰ দক্ষ সম্পাদনৰ বাবে আৱশ্যক

হোৱা দৰে উপবন্ধিত কৰিব, আৰু এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে নিযুক্তি দিয়া পদাধিকাৰী আৰু আন কৰ্মচাৰীক দেয় বেতন, ভাত্তা আৰু সেৱাৰ নিবন্ধন আৰু চৰ্ত্তাৱলী বিহিত কৰা দৰে এনে হব।

মুখ্য তথ্য আয়ুক্ত বা তথ্য আয়ুক্তৰ অপসাৰণ।

১৪। (১) উপ-ধাৰা (৩)ৰ উপবন্ধ সাপেক্ষে মুখ্য তথ্য আয়ুক্ত বা কোনো তথ্য আয়ুক্তক ৰাষ্ট্ৰপতিৰ আদেশৰ দ্বাৰা প্ৰমাণিত অসদাচৰণ বা অসমৰ্থতাৰ আধাৰত তেওঁৰ পদৰ পৰা তেতিয়া অপসাৰণ কৰিব পাৰিব, যেতিয়া উচ্চতম ন্যায়ালয়ে ৰাষ্ট্ৰপতিৰ দ্বাৰা কৰা কোনো নিৰ্দেশত তদন্ত কৰাৰ পাচত প্ৰতিবেদন দিয়ে যে মুখ্য তথ্য আয়ুক্ত বা যথাস্থিতি কোনো তথ্য আয়ুক্তক এনে আধাৰত অপসাৰণ কৰা উচিত।

(২) ৰাষ্ট্ৰপতিয়ে মুখ্য তথ্য আয়ুক্তক বা তথ্য আয়ুক্তক তদন্তৰ সময়ছোৱাৰ ভিতৰত পদৰ পৰা নিলম্বন কৰিব পাৰে আৰু যদি আৱশ্যক গণ্য কৰে কাৰ্য্যালয়ত উপস্থিত থকাৰ পৰা নিষিদ্ধও কৰিব পাৰে, যাৰ সম্বন্ধত উপ-ধাৰা (১)ৰ অধীনত উচ্চতম ন্যায়ালয়লৈ এটা নিৰ্দ্দেশ দিয়া হয়। এনে নিৰ্দ্দেশৰ ওপৰত উচ্চতম ন্যায়ালয়ৰ প্ৰতিবেদনৰ প্ৰাপ্তিৰ ওপৰত যেতিয়ালৈকে আদেশ পাৰিত নকৰে।

(৩) উপ-ধাৰা (১)ত কোনো কথা থকা স্বত্বেও, ৰাষ্ট্ৰপতিয়ে মুখ্য তথ্য আয়ুক্ত বা কোনো তথ্য আয়ুক্তক আদেশৰ দ্বাৰা পদৰ পৰা অপসাৰণ কৰিব পাৰে, যদি মুখ্য তথ্য আয়ুক্ত বা যথাস্থিতি কোনো তথ্য আয়ুক্ত—

(ক) দেউলীয়া বুলি ন্যায়নিৰ্ণীত হয় ; বা

(খ) কোনো অপৰাধত দোষী সাব্যস্ত হৈছে যিটো ৰাষ্ট্ৰপতিৰ মতত নৈতিক ভ্ৰষ্টতাত লিপ্ত হৈছে ; বা

(গ) তেওঁৰ পদাবধিৰ সময়ত তেওঁৰ পদৰ কৰ্ত্তব্য বাহিৰত কোনো বেতন দিয়া নিয়োজনত ন্যস্ত হৈছে ;

(ঘ) ৰাষ্ট্ৰপতিৰ মতত, মানসিক বা শাৰিৰীক অক্ষমতাৰ কাৰণে কাৰ্য চলাই যাবলৈ অনুপযুক্ত হয়; বা

(ঙ) এনে বিত্তীয় আৰু অন্য হিত, মুখ্য তথ্য আয়ুক্ত বা কোনো তথ্য আয়ুক্ত ৰূপে তেওঁৰ কৰ্ত্তব্য সমূহত প্ৰতিকূল প্ৰভাৱ পেলোৱাৰ সম্ভাব্য হোৱাকৈ অৰ্জিত কৰিছে।

(৪) যদি মুখ্য তথ্য আয়ুক্ত বা কোনো তথ্য আয়ুক্তই কোনো প্ৰকাৰে, ভাৰত চৰকাৰৰ দ্বাৰা বা হকে কৰা কোনো সংবিদা বা চুক্তিত সংশ্লিষ্ট বা হিতবদ্ধ হয় বা নিগমিত কোম্পানীৰ কোনো সৰ্দস্য ৰূপে আৰু কোনো সদস্যৰ সৈতে একেলগে অন্যথা তাৰ পৰা লাভ বা তাৰ পৰা উদ্ভৱ হোৱা লাভাংশ বা অৰ্জনত কোনো প্ৰকাৰে অংশ গ্ৰহণ কৰে, তেওঁক উপ-ধাৰা (১)ৰ প্ৰয়োজনাৰ্থে অসদাচৰণৰ দোষী বুলি গণ্য কৰা হব।

# অধ্যায় ৪

## ৰাজ্যিক তথ্য আয়োগ

ৰাজ্যিক তথ্য আয়োগৰ গঠন।

১৫। (১) প্ৰত্যেক ৰাজ্য চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ অধীনত ইয়ালৈ অৰ্পিত ক্ষমতাৰ প্ৰয়োগ আৰু হস্তান্তৰিত কৰ্ত্তব্য সমূহ পালন কৰিবলৈ (ৰাজ্যৰ নাম) তথ্য আয়োগ নামেৰে জ্ঞাত কোনো নিকায় গঠন কৰিব।

(২) ৰাজ্যিক তথ্য আয়োগ নিম্নলিখিতৰ দ্বাৰা গঠন কৰা হব—

(ক) ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত, আৰু

(খ) দহজনৰ অনধিক, এনে সংখ্যক ৰাজ্যিক তথ্য আয়ুক্ত যিদৰে আৱশ্যক গণ্য কৰা হয়।

(৩) ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত আৰু ৰাজ্যিক তথ্য আয়ুক্তক নিম্নলিখিত দৰে গঠিত কোনো সমিতিৰ অনুমোদনত ৰাজ্যপালৰ দ্বাৰা নিযুক্তি দিয়া হব,—

(i) মুখ্যমন্ত্ৰী, যিজন সমিতিৰ অধ্যক্ষ হব ;

(ii) বিধান সভাৰ বিৰোধীৰ নেতা ; আৰু

(iii) মুখ্যমন্ত্ৰীৰ দ্বাৰা মনোনীত কৰিবলগীয়া এজন কেবিনেট মন্ত্ৰী।

**স্পষ্টীকৰণ**— সন্দেহ দূৰীকৰণৰ প্ৰয়োজনাৰ্থে ইয়াৰ দ্বাৰা ঘোষণা কৰিব পাৰি যে য'ত বিধান সভাৰ বিৰোধী নেতাক এনেদৰে স্বীকৃতি দিয়া হোৱা নাই, বিধান সভাত চৰকাৰৰ পক্ষত একক বৃহৎ দলৰ নেতাক বিৰোধীৰ নেতা বুলি গণ্য কৰা হ'ব।

(৪) ৰাজ্যিক তথ্য আয়োগৰ কাৰ্য্যকলাপৰ সাধাৰণ অধীক্ষণ, নিৰ্দ্দেশন আৰু ব্যৱস্থাপন ৰাজ্যিক মুখ্য তথ্য আয়ুক্তক ন্যস্ত কৰা হব যিজনক ৰাজ্যিক তথ্য আয়ুক্তৰ দ্বাৰা সহায়তা কৰা হব আৰু সকলো এনে ক্ষমতা প্ৰয়োগ কৰিব পাৰে আৰু সকলো এনে কাৰ্য্য আৰু কাম কৰিব পাৰে যিটো ৰাজ্যিক তথ্য আয়ুক্তৰ দ্বাৰা এই অধিনিয়মৰ অধীনত কোনো অন্য প্ৰাধিকাৰীৰ দ্বাৰা নিৰ্দ্দেশ সাপেক্ষে স্বতন্ত্ৰভাৱে প্ৰয়োগ কৰিব বা কৰিব পাৰে।

(৫) ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত আৰু ৰাজ্যিক তথ্য আয়ুক্ত বিধি, বিজ্ঞান আৰু প্ৰযুক্তি বিজ্ঞান, সমাজসেৱা, ব্যৱস্থাপন, সংবাদিকতা মাধ্যম বা প্ৰশাসন আৰু শাসনৰ বিস্তৃত জ্ঞান আৰু অভিজ্ঞতা থকা জন জীৱনৰ প্ৰখ্যাত ব্যক্তি হব।

(৬) ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত বা ৰাজ্যিক তথ্য আয়ুক্তই সংসদৰ সদস্য বা যথাস্থিতি কোনো ৰাজ্য বা সংঘ ৰাজ্য ক্ষেত্ৰৰ বিধান মণ্ডলৰ সদস্য নহব বা কোনো লাভৰ অন্য পদ ধাৰণ নকৰিব বা কোনো ৰাজনৈতিক দলৰ লগত জড়িত নহব বা কোনো ব্যৱসায় বা বৃত্তি নকৰিব।

(৭) ৰাজ্যিক তথ্য আয়োগৰ মুখ্য কাৰ্য্যালয় ৰাজ্যৰ এনে স্থানত হব যিদৰে ৰাজ্য চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা বিনিৰ্দিষ্ট কৰে আৰু ৰাজ্যিক তথ্য আয়োগে ৰাজ্য চৰকাৰৰ পূৰ্ব অনুমোদন সহ ৰাজ্যৰ কোনো অন্য স্থানত কাৰ্য্যালয় স্থাপন কৰিব পাৰে।

**পদাৱধি আৰু সেৱাৰ চৰ্ত্তাৱলী।**

১৬। (১) ৰাজ্যিক মুখ্য তথ্য আয়ুক্তই তেওঁ পদ গ্ৰহণ কৰা তাৰিখৰ পৰা পাঁচ বছৰৰ অৱধিৰ বাবে পদ ধাৰণ কৰিব আৰু পুনৰ নিযুক্তিৰ বাবে যোগ্য নহব ঃ

পৰন্তু কোনো ৰাজ্যিক মুখ্য তথ্য আয়ুক্তই পয়ষষ্ঠী বছৰ বয়স প্ৰাপ্ত হোৱাৰ পাচত এনেদৰে পদ ধাৰণ কৰিব নোৱাৰিব।

(২) প্ৰত্যেক ৰাজ্যিক তথ্য আয়ুক্তই তেওঁ পদ গ্ৰহণ কৰা তাৰিখৰ পৰা পাঁচ বছৰৰ এটা অৱধিৰ বাবে বা তেওঁৰ পয়ষষ্ঠী বছৰ বয়স হোৱালৈকে যিটোৱে আগতীয়া হয়, পদ ধাৰণ কৰিব আৰু ৰাজ্যিক তথ্য আয়ুক্ত ৰূপে পুনৰ নিযুক্তিৰ বাবে যোগ্য নহবঃ

পৰন্তু প্ৰত্যেক ৰাজ্যিক তথ্য আয়ুক্তই এই উপ-ধাৰাৰ অধীনত তেওঁৰ পদৰিক্ত কৰাত, ধাৰা ১৫ৰ উপ-ধাৰা (৩)ত বিনিৰ্দিষ্ট কৰা ৰীতিত ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত ৰূপে নিযুক্তিৰ বাবে যোগ্য হব ঃ

উপৰন্তু য'ত ৰাজ্যিক তথ্য আয়ুক্তক, ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত ৰূপে নিযুক্তি দিয়া হয়, তেওঁৰ পদৰ অবধি ৰাজ্যিক তথ্য আয়ুক্ত আৰু ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত ৰূপে সৰ্বমুঠ পাঁচ বছৰৰ অধিক নহব।

(৩) ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত বা কোনো ৰাজ্যিক তথ্য আয়ুক্তই তেওঁৰ পদ গ্ৰহণ কৰাৰ পূৰ্বে ৰাজ্যপাল বা এই মৰ্ম্মে তেওঁৰ দ্বাৰা নিযুক্ত কিছুমান অন্য ব্যক্তিৰ সমুখত প্ৰথম অনুসূচীৰ প্ৰয়োজনাৰ্থে উপবৰ্ণিত প্ৰপত্ৰ অনুসাৰে শপথ বা সৰ্তাপণ লব।

(৪) ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত বা ৰাজ্যিক তথ্য আয়ুক্তই যি কোনো সময়ত, ৰাষ্ট্ৰপতিক সম্বোধিত কৰি হস্তাক্ষৰে লিখিত ভাৱে, পদত্যাগ কৰিব পাৰে ঃ

পৰন্তু ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত বা ৰাজ্যিক তথ্য আয়ুক্তক ধাৰা ১৭ৰ অধীনত বিনিৰ্দ্দিষ্ট কৰা ৰীতিত অপসাৰিত কৰিব পাৰে।

(৫) সেৱাৰ দেয়, বেতন আৰু ভাট্টা আৰু অন্য নিবন্ধন আৰু চৰ্ত্তাৱলী—

(ক) ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত নিৰ্বাচন আয়ুক্তৰ দৰে একেই হব ;

(খ) ৰাজ্যিক তথ্য আয়ুক্ত, ৰাজ্য চৰকাৰৰ সেই মুখ্য সচিবৰ দৰে একেই হবঃ

পৰন্তু যদি ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত বা কোনো ৰাজ্যিক তথ্য আয়ুক্তই, নিজৰ নিযুক্তিৰ সময়ত ভাৰত চৰকাৰৰ অধীনত বা কোনো ৰাজ্য চৰকাৰৰ অধীনত কোনো পূৰ্ব সেৱাৰ সম্পৰ্কত কোনো পেঞ্চন, অক্ষমতা বা ক্ষতিৰ পেঞ্চন অন্যথা প্ৰাপ্তি কৰে, ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত বা ৰাজ্যিক তথ্য আয়ুক্ত ৰূপে সেৱাৰ সম্পৰ্কত তেওঁৰ বেতন পেঞ্চনৰ কোনো ভাগ অৰ্ন্তভুক্ত কৰি যিটো বিকল্প কৰা হৈছে আৰু তাৰ অৱসৰ প্ৰাপ্ত পাৰিতোষিকৰ সমতুল্য পেঞ্চন বাদ দি অৱসৰ লাভ অন্য ৰূপে সমতুল্য পাৰিতোষিক পেঞ্চন পৰিমাণৰ পৰা হ্ৰাস কৰা হবঃ

উপৰন্তু য'ত ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত বা কোনো ৰাজ্যিক তথ্য আয়ুক্তই, তেওঁৰ নিযুক্তিৰ সময়ত, কোনো কেন্দ্ৰীয় অধিনিয়ম বা ৰাজ্যিক অধিনিয়মৰ দ্বাৰা বা অধীনত স্থাপিত কোনো নিগমত বা কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ মালিকানাধীন বা নিয়ন্ত্ৰিত কোনো চৰকাৰী কোম্পানীত সমৰ্পিত কোনো পূৰ্ব সেৱাৰ সম্পৰ্কত অৱসৰ লাভ প্ৰাপ্তি কৰা সম্পৰ্কত মুখ্য তথ্য আয়ুক্ত বা তথ্য আয়ুক্তৰ ৰূপে সেৱাৰ সৰ্ম্পকত তেওঁৰ বেতন অৱসৰপ্ৰাপ্ত লাভৰ সমতুল্য পৰিমাণৰ পৰা হ্ৰাস কৰা হবঃ

অধিকন্তু ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত বা ৰাজ্যিক তথ্য আয়ুক্তৰ ৱেতন, ভাট্টা আৰু সেৱাৰ অন্য চৰ্ত্তাৱলী তেওঁৰ নিযুক্তিৰ পিচত অসুবিধা হোৱাকৈ পৰিৱৰ্ত্তন কৰা নহব।

(৬) ৰাজ্য চৰকাৰে এই অধিনিয়মৰ অধীনত ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত আৰু ৰাজ্যিক তথ্য আয়ুক্তক তেওঁলোকৰ কৃত্যবোৰৰ দক্ষ সম্পাদনৰ বাবে আৱশ্যক হোৱাৰ দৰে উপবন্ধ কৰিব আৰু এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে নিযুক্তি দিয়া পদাধিকাৰী আৰু আন কৰ্মচাৰীৰ দেয় বেতন, ভাত্তা আৰু সেৱাৰ নিবন্ধন আৰু চৰ্ত্তাৱলী বিহিত কৰা দৰে এনে হব।

**ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত বা ৰাজ্যিক তথ্য আয়ুক্তৰ অপসাৰণ।**

১৭। (১) উপ-ধাৰা (৩)ৰ উপবন্ধৰ সাপেক্ষে ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত বা কোনো ৰাজ্যিক তথ্য আয়ুক্তক ৰাজ্যপালৰ আদেশৰ দ্বাৰা প্ৰমাণিত অসদাচৰণ বা অসমৰ্থতাৰ আধাৰত তেওঁৰ পদৰ পৰা তেতিয়া অপসাৰিত কৰা হব যেতিয়া উচ্চতম ন্যায়ালয়ে ৰাজ্যপালৰ দ্বাৰা কৰা নিৰ্দেশত তদন্ত কৰাৰ পাচত প্ৰতিবেদন দিয়ে যে ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত বা যথাস্থিতি কোনো ৰাজ্যিক তথ্য আয়ুক্তক এনে আধাৰত অপসাৰিত কৰা উচিত।

(২) ৰাজ্যপালে তদন্তৰ সময়ছোৱাৰ ভিতৰত ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত বা কোনো ৰাজ্যিক তথ্য আয়ুক্তক পদৰ পৰা নিলম্বন কৰিব পাৰে আৰু যদি আৱশ্যক গণ্য কৰে কাৰ্য্যালয়ত উপস্থিত থকাৰ পৰা নিষিদ্ধও কৰিব পাৰে, যাৰ সম্বন্ধত উপ-ধাৰা (১)ৰ অধীনত উচ্চতম ন্যায়ালয়লৈ এটা নিৰ্দেশ দিয়া হয়, ৰাজ্যপালে এনে নিৰ্দেশৰ ওপৰত উচ্চতম ন্যায়ালয়ৰ প্ৰতিবেদনৰ প্ৰাপ্তিত যেতিয়ালৈকে আদেশ পাৰিত নকৰে।

(৩) উপ-ধাৰা (১)ত কোনো কথা থকা স্বত্বেও, ৰাজ্যপালে ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত বা কোনো তথ্য আয়ুক্তক পদৰ পৰা আদেশৰ দ্বাৰা অপসাৰণ কৰিব পাৰে, যদি ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত বা যথাস্থিতি ৰাজ্যিক তথ্য আয়ুক্ত—

(ক) দেউলীয়া বুলি ন্যায়নিৰ্ণীত হয় ; বা

(খ) কোনো অপৰাধত দোষী সাব্যস্ত হৈছে যিটো ৰাষ্ট্ৰপতিৰ মতত নৈতিক ভ্ৰষ্টতাত লিপ্ত হৈছে ; বা

(গ) তেওঁৰ পদাৱধিৰ সময়ত তেওঁৰ পদৰ কৰ্ত্তব্যৰ বাহিৰত কোনো বেতন দিয়া নিয়োজনত ন্যস্ত হৈছে, বা—

(ঘ) ৰাজ্যপালৰ মতত, মানসিক বা শাৰিৰীক অক্ষমতাৰ কাৰণে কাৰ্য্য চলাই যাবলৈ অনুপযুক্ত হয় ; বা

(ঙ) এনে বিত্তীয় আৰু অন্য হিত অৰ্জিত কৰে, যিদৰে ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত বা কোনো তথ্য আয়ুক্ত ৰূপে তেওঁৰ কৰ্ত্তব্যসমূহত প্ৰতিকূল প্ৰভাৱ পৰাৰ সম্ভাৱনা থাকে।

(৪) যদি ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত বা কোনো ৰাজ্যিক তথ্য আয়ুক্ত কোনো প্ৰকাৰে ৰাজ্য চৰকাৰৰ দ্বাৰা বা হকে কৰা হোৱা কোনো সংবিদা বা চুক্তিত সংশ্লিষ্ট বা হিতবদ্ধ হয় বা কোনো নিগমিত কোম্পানীৰ সদস্য ৰূপে আৰু কোনো সদস্যৰ সৈতে একেলগে অন্যথা তাৰ পৰা লাভ বা উদ্ভৱ হোৱা লাভাংশ বা অৰ্জনত কোনো প্ৰকাৰে অংশ গ্ৰহণ কৰে, তেওঁক, উপ-ধাৰা (১)ৰ প্ৰয়োজনাৰ্থে অসদাচৰণৰ দোষী বুলি গণ্য কৰা হব।

# অধ্যায় ৫

## তথ্য আয়ুক্তৰ ক্ষমতা আৰু কৃত্যসমূহ, আপীল আৰু শাস্তি

তথ্য আয়ুক্তৰ ক্ষমতা আৰু কৃত্যসমূহ।

১৮। (১) এই অধিনিয়মৰ উপৰন্ধাৱলীৰ সাপেক্ষে, কেন্দ্ৰীয় তথ্য আয়োগ বা যথাস্থিতি ৰাজ্যিক তথ্য আয়োগৰ, নিম্নলিখিত কোনো ব্যক্তিৰ কোনো অভিযোগ গ্ৰহণ আৰু তদন্ত কৰিবলৈ কৰ্ত্তব্য হব,—

(ক) যিজনে কোনো কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক লোক তথ্য পদাধিকাৰীক এনে কোনো কাৰণৰ দ্বাৰা অনুৰোধ অবগত কৰিবলৈ অসমৰ্থ হয় যে এই অধিনিয়মৰ অধীনত এনে পদাধিকাৰীক নিযুক্তি দিয়া নহয় বা কেন্দ্ৰীয় সহায়ক লোক তথ্য অধিকাৰী বা যথাস্থিতি ৰাজ্যিক সহকাৰী লোক তথ্য অধিকাৰীয়ে এই অধিনিয়মৰ অধীনত তথ্য বা আপীলৰ বাবে ধাৰা ১৯ ৰ উপধাৰা (১)ত বিনিৰ্দিষ্ট কৰা কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী বা ৰাজ্যিক লোক তথ্য পদাধিকাৰী বা জ্যেষ্ঠ পদাধিকাৰী বা কেন্দ্ৰীয় তথ্য আয়ুক্ত বা যথাস্থিতি ৰাজ্যিক তথ্য আয়ুক্তই তেওঁ বা তাইৰ আবেদন প্ৰেৰণৰ বাবে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে;

(খ) যিজনক এই অধিনিয়মৰ অধীনত অনুৰোধ কৰা কোনো তথ্য ঢুকি পোৱাত, অস্বীকাৰ কৰা হৈছে ;

(গ) যিজনক এই অধিনিয়মৰ অধীনত বিনিৰ্দিষ্ট সময়ৰ ভিতৰত তথ্যৰ বাবে বা তথ্য ঢুকি পাবলৈ অনুৰোধৰ সহাঁৰি দিয়া হোৱা নাই;

(ঘ) যিজনক মাচুলৰ পৰিমাণ দিবলৈ অপেক্ষিত কৰা হয় যিটো তেওঁ বা তাই অযুক্তিকৰ বুলি বিবেচনা কৰে ;

(ঙ) যিজনে বিশ্বাস কৰে যে তেওঁ বা তাইক এই অধিনিয়মৰ অধীনত অপূৰ্ণ, পথভ্ৰষ্ট বা মিছা তথ্য দিয়া হৈছে, আৰু

(চ) এই অধিনিয়মৰ অধীনত অভিলেখৰ বাবে অনুৰোধ কৰা বা ইয়াক তথ্য ঢুকি পোৱা সম্বন্ধীত আন কোনো বিষয়ৰ সম্পৰ্কত।

(২) য'ত কেন্দ্ৰীয় তথ্য আয়ুক্ত বা যথাস্থিতি ৰাজ্যিক তথ্য আয়ুক্ত সন্তুষ্ট হয় যে সেই বিষয়ত তদন্ত কৰিবলৈ যুক্তিযুক্ত আধাৰ আছে, তাৰ সম্পৰ্কত কোনো তদন্ত আৰম্ভ কৰিব পাৰে।

(৩) কেন্দ্ৰীয় তথ্য আয়ুক্তক বা যথাস্থিতি ৰাজ্যিক তথ্য আয়ুক্ত যেতিয়া এই ধাৰাৰ অধীনত কোনো বিষয়ৰ তদন্ত চলি থকাৰ সময়ত তেনে সদৃশ ক্ষমতা থাকিব যিদৰে নিম্ন লিখিত বিষয়সমূহৰ ক্ষেত্ৰত চিভিল ন্যায়লায়ত চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ৰ অধীনত কোনো বাদৰ বিচাৰ চলি থকাৰ সময়ত নিহিত থাকে অৰ্থাৎ ঃ-

(ক) ব্যক্তিসকলক চমন কৰা বা উপস্থিত কৰোৱা আৰু তেওঁলোকক শপথৰ ওপৰত মৌখিক বা লিখিত সাক্ষ্য দিবলৈ আৰু দস্তাবেজ আৰু বস্তু দাখিল কৰিবলৈ বাধ্য কৰোৱা ;

(খ) দস্তাবেজৰ উদ্ভাৱন বা নিৰীক্ষণৰ অপেক্ষাকৰণ ;

(গ) শপথ পত্ৰত সাক্ষ্য লোৱা ;

(ঘ) কোনো ন্যায়ালয় বা কাৰ্য্যালয়ৰ পৰা তাৰ কোনো লোক অভিলেখ বা প্ৰতিলিপি অধিগ্ৰহণ;

(ঙ) সাক্ষী বা দস্তাবেজৰ পৰীক্ষাৰ বাবে জাৰি কৰা চমন; আৰু

(চ) কোনো অন্য বিষয় যিটো বিহিত কৰিব পাৰে।

(৪) সংসদ বা যথাস্থিতি ৰাজ্যিক বিধান মণ্ডলৰ আন কোনো অধিনিয়মত অন্তৰ্বিষ্ট কোনো অসঙ্গত কথা স্বত্বেও, কেন্দ্ৰীয় তথ্য আয়ুক্ত বা যথাস্থিতি ৰাজ্যিক তথ্য আয়ুক্তই এই অধিনিয়মৰ অধীনত কোনো তদন্ত কৰা সময়ত এনে কোনো অভিলেখ পৰীক্ষা কৰিব পাৰিব যিটোত এই অধিনিয়ম প্ৰয়োগ হয়, যিটো লোক প্ৰাধিকাৰীৰ নিয়ন্ত্ৰণৰ অধীনত আছে আৰু এনে কোনো অভিলেখ ইয়াৰ পৰা কোনো আধাৰৰ ওপৰত বন্ধ কৰি ৰখা নহব।

আপীল।

১৯। (১) কোনো ব্যক্তি যিজনে ধাৰা ৭ ৰ উপ-ধাৰা (১) বা উপ-ধাৰা (৩)ৰ খণ্ড (ক)ত বিনিৰ্দিষ্ট কৰা সময়ৰ ভিতৰত কোনো সিদ্ধান্ত প্ৰাপ্ত কৰা নাই বা কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক লোক তথ্য পদাধিকাৰী সিদ্ধান্তৰ দ্বাৰা ক্ষতিগ্ৰস্ত হয় এনে অৱধিৰ অৱসানৰ পৰা বা এনে কোনো সিদ্ধান্তৰ প্ৰাপ্তিৰ পৰা ত্ৰিশ দিনৰ ভিতৰত এনে পদাধিকাৰীলৈ কোনো আপীল কৰিব পাৰে, যিজন প্ৰত্যেক লোক প্ৰাধিকৰণত কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক তথ্য পদাধিকাৰীৰ পদমৰ্য্যাদাৰ জ্যেষ্ঠ হয় ঃ

পৰন্তু এনে পদাধিকাৰীয়ে ত্ৰিশ দিনৰ অৱধিৰ অৱসানৰ পাচত আপীল গ্ৰহণ কৰিব পাৰে যদি তেওঁ বা তাই সন্তুষ্ট হয় যে আপীলকাৰীয়ে সময়ত আপীল দাখিল কৰাত পৰ্য্যাপ্ত কাৰণৰ দ্বাৰা বাধাপ্ৰাপ্ত হৈছিল।

(২) য'ত কোনো আপীল ধাৰা ১১ৰ অধীনত কোনো কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী বা যথাস্থিতি কোনো ৰাজ্যিক লোক তথ্য পদাধিকাৰীৰ দ্বাৰা কোনো তৃতীয় পক্ষৰ তথ্য প্ৰকাশ কৰিবলৈ কৰা আদেশৰ বিৰুদ্ধে কৰা হয়, সংশ্লিষ্ট তৃতীয় পক্ষৰ দ্বাৰা আপীলটো আদেশৰ তাৰিখৰ পৰা ত্ৰিশ দিনৰ ভিতৰত কৰা হব।

(৩) উপ-ধাৰা (১)ৰ অধীনত সিদ্ধান্তৰ বিৰুদ্ধে কৰা কোনো দ্বিতীয় আপীল যিটো তাৰিখত সিদ্ধান্ত লোৱাত উচিত আছিল বা প্ৰকৃততে প্ৰাপ্ত কৰিব লাগিছিল, কেন্দ্ৰীয় তথ্য আয়ুক্ত বা ৰাজ্যিক তথ্য আয়ুক্তৰ লগত নব্বৈ দিনৰ ভিতৰত হব ঃ

পৰন্তু কেন্দ্ৰীয় তথ্য আয়ুক্ত বা যথাস্থিতি ৰাজ্যিক তথ্য আয়ুক্তই নব্বৈ দিন অৱধিৰ অৱসানৰ পাচত আপীল গ্ৰহণ কৰিব পাৰে, যদি এইটো সন্তুষ্ট হয় যে আপীলকাৰীয়ে সময়ত আপীল দাখিল কৰাত পৰ্য্যাপ্ত কাৰণৰ দ্বাৰা বাধাপ্ৰাপ্ত হৈছিল।

(৪) যদি কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক লোক তথ্য পদাধিকাৰীৰ সিদ্ধান্ত যিটোৰ বিৰুদ্ধে কোনো আপীল কৰা হয় যিটো তৃতীয় পক্ষৰ তথ্য সম্পৰ্কিত হয়, কেন্দ্ৰীয় তথ্য আয়ুক্ত বা যথাস্থিতি ৰাজ্যিক তথ্য আয়ুক্তই সেই তৃতীয় পক্ষক শুনানীৰ বাবে যুক্তিযুক্ত সুযোগ দিব।

(৫) কোনো আপীল কাৰ্য্যবাহীত প্ৰমাণ কৰা দায়িত্ব, যে কোনো অনুৰোধৰ নুইকৰণ ন্যায্য আছিল, কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক লোক পদাধিকাৰীৰ ওপৰত হব যিয়ে অনুৰোধটো নুই কৰিছিল।

(৬) উপ-ধাৰা (১) বা উপ-ধাৰা (২)ৰ অধীনত আপীল প্ৰাপ্তিৰ ত্ৰিশ দিনৰ ভিতৰত বা

যথাস্থিতি তাৰ দাখিলকৰণৰ তাৰিখৰ পৰা মুঠ পঞ্চল্লিছ দিনৰ অনধিক এনে বিস্তাৰিত অৱধিৰ ভিতৰত লিখিত ভাৱে অভিলিখিত কৰিব লগীয়া কাৰণ সমূহৰ বাবে নিষ্পত্তি কৰা হ'ব।

(৭) কেন্দ্ৰীয় তথ্য আয়ুক্ত বা যথাস্থিতি ৰাজ্যিক তথ্য আয়ুক্তৰ সিদ্ধান্ত আবদ্ধকৰ হ'ব।

(৮) ইয়াৰ সিদ্ধান্তত, কেন্দ্ৰীয় তথ্য আয়ুক্ত বা যথাস্থিতি ৰাজ্যিক তথ্য আয়ুক্তৰ নিম্নলিখিত ক্ষমতা সমূহ আছে—

(ক) নিম্নলিখিতবোৰ অন্তৰ্ভুক্ত কৰি অধিনিয়মৰ উপবন্ধবোৰৰ নিৰাপদ পালনৰ বাবে আৱশ্যক হোৱা দৰে এনে কোনো ব্যৱস্থা লবলৈ লোক প্ৰাধিকাৰীক অপেক্ষা কৰিব,—

(i) তথ্য ঢুকি পোৱাত উপবন্ধকৰণৰ দ্বাৰা যদি কোনো বিশেষ প্ৰপত্ৰত এনেদৰে অনুৰোধ কৰা হয় ;

(ii) কোনো কেন্দ্ৰীয় লোক তথ্য পদধিকাৰী বা যথাস্থিতি ৰাজ্যিক লোক তথ্য পদাধিকাৰীৰ নিযুক্তিৰ দিয়া ;

(iii) কেতবোৰ তথ্য বা তথ্যৰ বৰ্গৰ প্ৰকাশ কৰা ;

(iv) অভিলেখৰ পালন, ব্যৱস্থাপন আৰু ধ্বংসৰ সম্বন্ধত নিজৰ অভ্যাসৰ আৱশ্যকীয় পৰিবৰ্ত্তন কৰা ;

(v) ইয়াৰ পদাধিকাৰীৰ বাবে তথ্যৰ অধিকাৰত প্ৰশিক্ষণৰ উপবন্ধ বৃদ্ধি কৰা ;

(vi) ধাৰা ৪ৰ উপ-ধাৰা (১)ৰ খণ্ড (খ)ৰ অনুসাৰে ইয়াৰ কোনো বাৰ্ষিক প্ৰতিবেদন সহ উপবন্ধিত কৰা ;

(খ) কোনো হানি বা অন্য লোকচানত ভোগা গোচৰীয়া ক্ষতিপূৰণ দিবলৈ লোক প্ৰাধিকাৰীক অপেক্ষা কৰে;

(গ) এই অধিনিয়মৰ অধীনত উপবন্ধিত শাস্তি আৰোপিত কৰা;

(ঘ) আবেদনখন অগ্ৰাহ্য কৰা।

(৯) কেন্দ্ৰীয় তথ্য আয়ুক্ত বা যথাস্থিতি ৰাজ্যিক তথ্য আয়ুক্তই অভিযোগকাৰী আৰু লোক প্ৰাধিকাৰীলৈ আপীলৰ কোনো অধিকাৰ অন্তৰ্ভুক্ত কৰি, নিজৰ সিদ্ধান্তৰ জাননী দিব।

(১০) কেন্দ্ৰীয় তথ্য আয়োগ বা যথাস্থিতি ৰাজ্যিক তথ্য আয়োগে বিহিত কৰাৰ দৰে এনে প্ৰক্ৰিয়া অনুসাৰে আপীলৰ সিদ্ধান্ত দিব।

শাস্তি। ২০। (১) য'ত কোনো গোচৰ বা আপীলত সিদ্ধান্ত কৰাৰ সময়ত কেন্দ্ৰীয় তথ্য আয়োগ বা যথাস্থিতি ৰাজ্যিক তথ্য আয়োগৰ মত হয় যে কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক লোক তথ্য পদাধিকাৰীয়ে কোনো যুক্তিযুক্ত কাৰণ বিনা তথ্যৰ বাবে কোনো আবেদন প্ৰাপ্তিৰ অস্বীকাৰ কৰিব পাৰে বা ধাৰা ৭ৰ উপ-ধাৰা (১)ৰ অধীনত বিনিৰ্দিষ্ট কৰা সময়ৰ ভিতৰত তথ্য দাখিল কৰা নাছিল বা তথ্যৰ বাবে কৰা অনুৰোধ প্ৰবঞ্চনামূলক ভাৱে নুই কৰে বা জানি শুনি অশুদ্ধ, অপূৰ্ণ, ভুল তথ্য দিয়ে বা তথ্য ধ্বংস কৰে যিটো অনুৰোধৰ বিষয় আছিল বা কোনো ৰীতিত তথ্য দাখিল কৰাত বাধা দিয়া হৈছিল, প্ৰত্যেক দিনৰ বাবে যেতিয়ালৈকে আবেদন প্ৰাপ্তি হয় বা তথ্য দাখিল কৰা হয় দুশ পঞ্চাশ টকাৰ জৰিমনা আৰোপ কৰিব পাৰে, তথাপি এনে জৰিমনাৰ মুঠ ধনৰাশি পচিশ হেজাৰ টকাৰ অধিক নহবঃ

পৰন্তু কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক লোক তথ্য পদাধিকাৰীক তেওঁৰ ওপৰত কোনো জৰিমনা আৰোপ কৰা পূৰ্বে শুনানীৰ কোনো যুক্তিযুক্ত সুযোগ দিয়া হব ঃ

উপৰন্তু তেওঁ যে যুক্তিযুক্ত ভাবে বা তৎপৰতাৰে কাৰ্য্য কৰিছিল তাৰ প্ৰমাণৰ ভাৰ কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী যথাস্থিতি ৰাজ্যিক পদাধিকাৰীৰ ওপৰত থাকিব।

(২) য'ত কোনো গোচৰ বা আপীল সিদ্ধান্ত লোৱাৰ সময়ত, কেন্দ্ৰীয় তথ্য আয়োগ বা যথাস্থিতি ৰাজ্যিক লোক তথ্য আয়োগৰ এই মত হয় যে কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক লোক তথ্য পদাধিকাৰীয়ে কোনো যুক্তিযুক্ত কাৰণ বিনা অৰু একেৰাহে তথ্যৰ বাবে কোনো আবেদন প্ৰাপ্ত কৰাত অসফল হয় বা ধাৰা ৭ৰ উপ-ধাৰা (১)ৰ অধীনত বিনিৰ্দিষ্ট কৰা সময়ৰ ভিতৰত তথ্য দাখিল কৰা নাছিল বা তথ্যৰ বাবে কৰা অনুৰোধ প্ৰৱঞ্চনামূলক ভাৱে নুই কৰিছিল, বা জানি শুনি, অশুৰ্দ্ধ, অপূৰ্ণ, ভুল তথ্য দিয়ে বা তথ্য ধ্বংস কৰে যিটো অনুৰোধৰ বিষয় আছিল বা কোনো ৰীতিত তথ্য দাখিল কৰাত বাধা দিয়া হৈছিল, ই কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক লোক তথ্য পদাধিকাৰীৰ বিৰুদ্ধে তেওঁলোকলৈ প্ৰয়োগ যোগ্য হোৱা সেৱা নিয়মাৱলীৰ অধীনত অনুশাসনিক কাৰ্য্য ব্যৱস্থা লোৱাৰ বাবে অনুমোদন কৰিব।

# অধ্যায় ৬

## বিবিধ

**সৰল বিশ্বাসত কৰা কাৰ্য্যৰ সুৰক্ষা।**

২১। কোনো বাদ, অভিযোজন বা অন্য বিধিক কাৰ্য্যবাহী কোনো কাৰ্য্যৰ বাবে যিটো এই অধিনিয়মৰ অধীনত বা তাৰ অধীনত প্ৰণীত কোনো নিয়ম সৰল বিশ্বাসত কৰে বা কৰিবলৈ বুলি অভিপ্ৰেত হয়; কোনো ব্যক্তিৰ বিৰুদ্ধে নচলিব।

**অধিনিয়মৰ অধ্যাৰোহী প্ৰভাৱ থাকিব ।**

২২। এই অধিনিয়মৰ উপবন্ধাৱলী শাসকীয় গুপ্ত বাৰ্ত্তা অধিনিয়ম, ১৯২৩ আৰু তৎসময়ত বলবৎ থকা কোনো অন্য বিধি বা এই অধিনিয়মৰ অন্যথা কোনো বিধিৰ আধাৰত প্ৰভাবী হোৱা কোনো লেখ্যত অসঙ্গত কোনো কথা থকা স্বত্বেও, প্ৰভাবী হব।

**ন্যায়ালয়ৰ অধিকাৰিতাৰ বৰ্জন।**

২৩। কোনো ন্যায়ালয়ে এই অধিনিয়মৰ অধীনত প্ৰণীত কোনো আদেশ সম্পৰ্কত কোনো বাদ, আবেদন বা অন্য কাৰ্য্যবাহী গ্ৰহণ নকৰিব আৰু কোনো এনে আদেশ এই অধিনিয়মৰ অধীনত কোনো আপীলৰ ৰীতিত অন্যথা প্ৰশ্নগত নহব।

**অধিনিয়ম কেতবোৰ সংগঠনত প্ৰয়োগ নহব।**

২৪। (১) এই অধিনিয়মত থকা কোনো কথাই কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা স্থাপন কৰা সংগঠনবোৰ, দ্বিতীয় অনুসূচীত বিনিৰ্দিষ্ট কৰা চোৰাংচোৱা আৰু নিৰাপত্তা সংগঠন বা এনে সংগঠনৰ দ্বাৰা সেই চৰকাৰলৈ দাখিল কৰা কোনো তথ্য প্ৰয়োগ নহব ঃ

পৰন্তু ভ্ৰষ্টাচাৰ আৰু মানৱ অধিকাৰ ভংগ কৰা অভিযোগত পোৱা তথ্য এই উপ-ধাৰাৰ অধীনত বাদ দিয়া নহব ঃ

উপৰন্তু বিচৰা তথ্যৰ ক্ষেত্ৰত মানৱ অধিকাৰ ব্যাহত কৰা অভিযোগৰ সম্পৰ্কত, কেন্দ্ৰীয় তথ্য আয়োগৰ অনুমোদনৰ পাচত কেৱল উপবন্ধিত হব, আৰু ধাৰা ৭ত কোনো কথা থকা স্বত্বেও, এনে তথ্য অনুৰোধপ্ৰাপ্তিৰ তাৰিখৰ পৰা পঞ্চল্লিশ দিনৰ ভিতৰত উপবন্ধিত কৰা হব।

(২) কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত কোনো অধিসূচনাৰ দ্বাৰা সেই চৰকাৰৰ দ্বাৰা স্থাপন কৰা সংগঠনৰ কোনো চোৰাংচোৱা বা নিৰাপত্তা সংগঠন তাত অন্তৰ্ভুক্ত কৰি ৰা তাৰ আয়োগে বিনিৰ্দ্দিষ্ট কৰা কোনো সংগঠনৰ অনুসূচী সংশোধন কৰিব পাৰিব বা লোপ কৰিব আৰু এনে অধিসূচনাৰ প্ৰকাশনত, এনে সংগঠন অনুসূচীৰ পৰা, যথাস্থিতি অন্তৰ্ভুক্ত কৰা বা লোপ কৰা বুলি গণ্য কৰা হব।

(৩) উপ-ধাৰা (২)ৰ অধীনত জাৰি কৰা প্ৰত্যেক অধিসূচনা সংসদৰ প্ৰত্যেক সদনৰ আগত উত্থাপন কৰা হব।

(৪) এই অধিনিয়মৰ কোনো কথাই ৰাজ্য চৰকাৰৰ দ্বাৰা স্থাপন কৰা সগংঠনৰ এনে চোৰাংচোৱা আৰু নিৰাপত্তা সংগঠন প্ৰয়োগ নহব, যিদৰে সেই চৰকাৰে সময়ে সময়ে, চৰকাৰী ৰাজপত্ৰত, অধিসূচনাৰ দ্বাৰা বিনিৰ্দিষ্ট কৰিব পাৰে ঃ

পৰন্তু ভ্ৰষ্টাচাৰ আৰু মানৱ অধিকাৰ ভংগ কৰা অভিযোগত লাভকৰা তথ্য এই উপ-ধাৰাৰ অধীনত বাদ দিয়া নহব ঃ

উপৰন্তু বিচৰা তথ্যৰ ক্ষেত্ৰত মানৱ অধিকাৰ ভংগ কৰা অভিযোগ সম্পৰ্কত, কেন্দ্ৰীয় তথ্য আয়োগৰ অনুমোদনৰ পাচত কেৱল উপবন্ধিত কৰা হব আৰু ধাৰা ৭ত কোনো কথা থকা স্বত্বেও, এনে তথ্য অনুৰোধ প্ৰাপ্তিৰ তাৰিখৰ পৰা পঞ্চল্লিশ দিনৰ ভিতৰত উপবন্ধিত কৰা হব।

(৫) উপ-ধাৰা (৪)ৰ অধীনত জাৰি কৰা প্ৰত্যেক অধিসূচনা বিধান মণ্ডলৰ সমুখত উত্থাপন কৰা হব।

**নিৰীক্ষণ কৰা আৰু প্ৰতিবেদন দিয়া।**

২৫। (১) কেন্দ্ৰীয় তথ্য আয়োগ বা যথাস্থিতি ৰাজ্যিক তথ্যৰ আয়োগে প্ৰত্যেক বৰ্ষৰ অৱসানৰ পাচত যথাশীঘ্ৰে প্ৰয়োগযোগ্য হোৱা সেই বছৰৰ ভিতৰত এই অধিনিয়মৰ উপবন্ধ প্ৰয়োগৰ কোনো প্ৰতিবেদন তৈয়াৰ কৰিব আৰু সমুচিত চৰকাৰলৈ তাৰ এটা প্ৰতিলিপি প্ৰেৰণ কৰিব।

(২) প্ৰত্যেক মন্ত্ৰালয় বা বিভাগ, তেওঁলোকৰ অধিকাৰিতাৰ ভিতৰত লোক প্ৰাধিকাৰীসকলৰ সম্বন্ধত কেন্দ্ৰীয় তথ্য আয়োগ বা যথাস্থিতি ৰাজ্যিক তথ্য আয়োগলৈ এনে তথ্য সংগ্ৰহ আৰু উপবন্ধিত কৰিব, যি দৰে এই ধাৰাৰ অধীনত প্ৰতিবেদন তৈয়াৰ কৰিবলৈ অপেক্ষিত হয় আৰু এই ধাৰাৰ প্ৰয়োজনাৰ্থে সেই তথ্য দাখিল আৰু অভিলেখ ৰখাত সংশ্লিষ্ট অপেক্ষিত পালন কৰিব।

(৩) প্ৰত্যেক প্ৰতিবেদনত সেই বছৰৰ সম্বন্ধত, যালৈ প্ৰতিবেদন সম্বন্ধীত হয় নিম্নলিখিতসমূহৰ বিষয়ে বৰ্ণনা কৰিব —

(ক) প্ৰত্যেক লোক প্ৰাধিকাৰীৰ দ্বাৰা কৰা অনুৰোধৰ সংখ্যা ;

(খ) সিদ্ধান্তৰ এনে সংখ্যা য'ত আবেদনকাৰীয়ে অনুৰোধ অনুসাৰে দস্তাবেজ পাবলৈ হক্‌দাৰ নহয়, এই অধিনিয়মৰ উপবন্ধ যিবোৰৰ অধীনত এই সিদ্ধান্তসমূহ লোৱা হৈছিল আৰু সময়ৰ সংখ্যা য'ত এনে উপবন্ধাৱলী আহ্বান কৰা হৈছিল;

(গ) পুনৰীক্ষণৰ বাবে, কেন্দ্ৰীয় তথ্য আয়োগ বা যথাস্থিতি ৰাজ্যিক তথ্য আয়োগলৈ উল্লিখিত আপীলৰ সংখ্যা, আপীলৰ প্ৰকৃতি আৰু আপীলৰ পৰিণতি;

(ঘ) এই অধিনিয়মৰ প্ৰশাসনৰ ক্ষেত্ৰত কোনো পদাধিকাৰীৰ বিৰুদ্ধে লোৱা কোনো অনুশাসনমূলক কাৰ্য্যৰ বিৱৰণ;

(ঙ) এই অধিনিয়মৰ অধীনত প্ৰত্যেক লোক প্ৰাধিকাৰীৰ দ্বাৰা সংগ্ৰহ কৰা প্ৰভাৰৰ পৰিমাণ ;

(চ) এনে সূচনা যিয়ে এই অধিনিয়মৰ ভাবনা আৰু অভিপ্ৰায় প্ৰশাসন আৰু প্ৰয়োগ কৰিবলৈ প্ৰত্যেক লোক প্ৰদাধিকাৰীৰ দ্বাৰা কোনো প্ৰচেষ্টাৰ সংকেত দিয়ে;

(ছ) এই অধিনিয়ম বা অন্য বিধান বা সাধাৰণ বিধিৰ বা তথ্য ঢুকি পাবলৈ অধিকাৰ প্ৰবৰ্ত্তনশীল কৰাৰ বাবে সুসঙ্গত কোনো অন্য বিষয়ৰ বিকাশ, উন্নয়ন, আধুনিক কৰণ, সংস্কাৰ বা সংশোধনৰ বাবে বিশিষ্ট লোক প্ৰাধিকাৰীৰ সম্পৰ্কত অনুমোদন অন্তৰ্ভুক্ত কৰি, সংস্কাৰৰ বাবে অনুমোদন।

(৪) কেন্দ্ৰীয় চৰকাৰ বা যথাস্থিতি ৰাজ্য চৰকাৰে প্ৰত্যেক বছৰৰ অবসানৰ পাচত প্ৰয়োগ সাধ্য হোৱাৰ লগে লগে উপ-ধাৰা (১)ত উল্লিখিত, কেন্দ্ৰীয় তথ্য আয়োগ বা যথাস্থিতি ৰাজ্যিক তথ্য আয়োগৰ প্ৰতিবেদনৰ কোনো প্ৰতিলিপি সংসদৰ প্ৰত্যেক সদনৰ আগত বা ৰাজ্যিক বিধান মণ্ডল প্ৰত্যেক সদনৰ আগত য'ত দুয়োটা সদন থাকে, আৰু য'ত ৰাজ্য বিধান মণ্ডলৰ এটা সদন আছে, সেই সদনৰ আগত উত্থাপন কৰা হব।

(৫) যদি কেন্দ্ৰীয় তথ্য আয়োগ বা যথাস্থিতি ৰাজ্যিক তথ্য আয়োগৰ এইটো প্ৰতীত হয় যে এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্য সমূহৰ প্ৰয়োগৰ সম্বন্ধত, কোনো লোক প্ৰাধিকাৰীৰ অনুশীলনে এই অধিনিয়মৰ উপবন্ধ বা ভাৱনা অনুৰূপ নকৰে ই প্ৰাধিকাৰীক এনে ব্যৱস্থা বিনিৰ্দিষ্ট কৰি যিটো ইয়াৰ মতত এনে অনুৰূপতা উন্নীত কৰাৰ বাবে ব্যৱস্থা লবলৈ উচিত আছিল, অনুমোদন কৰিব।

**সমুচিত চৰকাৰে কাৰ্য্যসূচী প্ৰস্তুত কৰিব।**

২৬। (১) সমুচিত চৰকাৰে বিত্তীয় আৰু অন্য উৎসৰ সহজলভ্য বিস্তাৰণলৈ—

(ক) জনসাধাৰণৰ বিশেষ ৰূপত উপেক্ষিত সম্প্ৰদায় বুজাপৰাৰ বিকাশ কৰাৰ বাবে এই অধিনিয়মৰ অধীনত বিচাৰ কৰা অধিকাৰ প্ৰয়োগ কেনেকৈ কৰা হয়, সেই বিষয়ে শৈক্ষিক কাৰ্য্যক্ৰম গঠন কৰিব আৰু অনুষ্ঠিত কৰিব পাৰে ;

(খ) লোক প্ৰাধিকাৰীক খণ্ড (ক)ত উল্লিখিত কাৰ্য্যসূচীৰ উন্নয়ন আৰু সংগঠত অংশ লবলৈ আৰু তেওঁলোকে এনে কাৰ্য্যসূচীৰ দায়িত্ব লবলৈ উৎসাহিত কৰিব পাৰে।

(গ) লোক প্ৰাধিকাৰীৰ দ্বাৰা তেওঁলোকৰ কাৰ্য্য কলাপৰ বিষয়ে সঠিক তথ্যৰ সময়মতে আৰু প্ৰভাৱমূলক বিস্তাৰণ কৰিব পাৰে ; আৰু

(ঘ) লোক প্ৰাধিকাৰীৰ, কেন্দ্ৰীয় লোক তথ্য প্ৰাধিকাৰীৰ বা যথাস্থিতি ৰাজ্যিক লোক তথ্য প্ৰাধিকাৰীক প্ৰশিক্ষণ দিব আৰু লোক প্ৰাধিকৰণৰ দ্বাৰা তেওঁলোকৰ বাবে সুসংগত প্ৰশিক্ষণ সামগ্ৰী উৎপাদন কৰিব পাৰে।

(২) সমুচিত চৰকাৰে, এই অধিনিয়মৰ প্ৰাৰম্ভণৰ পৰা ওঠৰ মাহৰ ভিতৰত, ইয়াৰ চৰকাৰী ভাষাত, সহজ সৰ্বাঙ্গীন প্ৰপত্ৰ আৰু ৰীতিত এনে তথ্য থকা পথ প্ৰদৰ্শকক সঙ্কলন কৰিব, যিদৰে কোনো ব্যক্তিৰ দ্বাৰা যুক্তিযুক্তভাবে অপেক্ষিত হব যিয়ে এই অধিনিয়মৰ বিনিৰ্দিষ্ট কৰা কোনো অধিকাৰ প্ৰয়োগ কৰিবলৈ ইচ্ছা কৰে ;

(৩) সমুচিত চৰকাৰে, যদি আৱশ্যক হয়, উপধাৰা (২)ত উল্লিখিত নিৰ্দ্দেশাৱলী নিয়মিত অবকাশত, শেহতীয়া কথা অন্তৰ্ভুক্ত কৰিব আৰু প্ৰকাশ কৰিব যিটো বিশেষতঃ আৰু ধাৰা (২)ৰ ব্যাপকতাত প্ৰতিকূল প্ৰভাৱ নপৰাকৈ অন্তৰ্ভুক্ত কৰিব—

(ক) এই অধিনিয়মৰ উদ্দেশ্য,

(খ) ধাৰা ৫ৰ উপ-ধাৰা (১)ৰ অধীনত নিযুক্ত প্ৰত্যেক লোক প্ৰাধিকাৰীৰ কেন্দ্ৰীয় লোক পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক লোক তথ্য পদাধিকাৰীৰ ডাক আৰু পথৰ নাম, দূৰভাষণ, ফেক্স নম্বৰ , যদি সহজলভ্য হয়, ইলেক্ট্ৰনিক মেইল ঠিকনা ;

(গ) ৰীতি আৰু প্ৰপত্ৰ যিটো কোনো লোক তথ্য পদাধিকাৰী বা যথাস্থিতি ৰাজ্যিক লোক তথ্য পদাধিকাৰীক কোনো তথ্য ঢুকি পোৱাৰ বাবে অনুৰোধ কৰিব পাৰে;

(ঘ) এই অধিনিয়মৰ অধীনত কোনো লোক প্ৰাধিকাৰীৰ কেন্দ্ৰীয় লোক তথ্য পদাধিকাৰী বা ৰাজ্যিক লোক তথ্য পদাধিকাৰীৰ সহজলভ্য সহায়তা আৰু কৰ্ত্তব্য;

(ঙ) কেন্দ্ৰীয় তথ্য আয়োগ বা যথাস্থিতি ৰাজ্যিক তথা আয়োগৰ পৰা সহজলভ্য সহায়তা ;

(চ) আয়োগলৈ কোনো আপীল দাখিল কৰা ৰীতি অন্তৰ্ভুক্ত কৰি এই অধিনিয়মৰ দ্বাৰা অৰ্পিত আৰু আৰোপিত কোনো অধিকাৰ বা কৰ্ত্তব্যৰ সম্পৰ্কত কোনো কাৰ্য্য বা কোনো কাৰ্য্য অসফল হোৱাৰ সম্বন্ধত সহজলভ্য বিধিত থকা সকলো প্ৰতিকাৰ;

(ছ) ধাৰা ৪ৰ অনুসাৰে অভিলেখৰ বৰ্গৰ ঐচ্ছিক প্ৰকটকৰণৰ বাবে ব্যৱস্থা কৰা উপবন্ধ;

(জ) কোনো তথ্য ঢুকি পোৱাৰ বাবে অনুৰোধ কৰাৰ সম্বন্ধত দিবলগীয়া মাচুল সম্পৰ্কে জাননী ; আৰু

(ঝ) এই অধিনিয়মৰ অনুসাৰে কোনো তথ্য ঢুকি পোৱাৰ সম্বন্ধত প্ৰণীত বা জাৰি কৰা অতিৰিক্ত বিনিয়ম বা পৰিপত্ৰ ;

(৪) সমুচিত চৰকাৰে, যদি আৱশ্যক হয়, নিয়মিত অৱকাশত নিৰ্দ্দেশাৱলী শেহতীয়া কথা অন্তৰ্ভুক্ত কৰা আৰু প্ৰকাশ কৰা উচিত।

**সমুচিত চৰকাৰৰ দ্বাৰা নিয়মাৱলী প্ৰণয়ন কৰিবলৈ ক্ষমতা।**

২৭। (১) সমুচিত চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ উপবন্ধসমূহ সম্পন্ন কৰিবলৈ নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

(২) বিশেষতঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে নিয়মাৱলী নিম্নলিখিত বিষয়সমূহৰ সকলো বা কোনোটোৰ বাবে উপবন্ধ কৰিব পাৰে, অৰ্থাৎ ঃ—

(ক) ধাৰা ৪ৰ উপ-ধাৰা (৪)ৰ অধীনত প্ৰসাৰিত কৰিব লগীয়া সামগ্ৰীৰ মাধ্যমৰ ব্যয় বা মুদ্ৰিত ব্যয়ৰ মূল্য ;

(খ) ধাৰা ৬ৰ উপ-ধাৰা (১)ৰ অধীনত দেয় মাচুল ;

(গ) ধাৰা ৭ৰ উপ-ধাৰা (১)ৰ আৰু (৫)ৰ অধীনত দেয় মাচুল;

(ঘ) ধাৰা ১৩ৰ উপ-ধাৰা (৬)ৰ আৰু ধাৰা ১৬ৰ উপ-ধাৰা (৬)ৰ অধীনত পদাধিকাৰী আৰু অন্য কৰ্মচাৰীৰ দেয় বেতন আৰু ভাত্তা আৰু সেৱাৰ নিবন্ধন আৰু চৰ্ত্তাৱলী;

(ঙ) ধাৰা ১৯ৰ উপ-ধাৰা (১০)ৰ অধীনত আপীলৰ সিদ্ধান্তত কেন্দ্ৰীয় তথ্য আয়োগ বা যথাস্থিতি ৰাজ্যিক তথ্য আয়োগৰ দ্বাৰা গ্ৰহণ কৰিব লগীয়া প্ৰক্ৰিয়া ; আৰু

(চ) কোনো অন্য বিষয়, যিটো বিহিত কৰিবলৈ অপেক্ষিত হয় বা বিহিত কৰিব পাৰি।

**সক্ষম প্ৰধিকাৰীৰ দ্বাৰা নিয়মাৱলী প্ৰণয়ন কৰিবলৈ ক্ষমতা।**

২৮। (১) সক্ষম প্ৰাধিকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ অধীনত উপবন্ধ সমূহ সম্পন্ন কৰিবলৈ নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

(২) বিশেষতঃ, আৰু পূৰ্বগামী ক্ষমতাত ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে নিয়মাৱলী নিম্নলিখিত বিষয়সমূহৰ সকলো বা কোনোটোৰ বাবে উপবন্ধ কৰিব পাৰে, অৰ্থাৎঃ—

(i) ধাৰা ৪ৰ উপ-ধাৰা (৪)ৰ অধীনত প্ৰসাৰিত কৰিব লগীয়া সামগ্ৰীৰ মাধ্যমৰ ব্যয় আৰু মুদ্ৰিত ব্যয়ৰ মূল্য ;

(ii) ধাৰা ৬ৰ উপ-ধাৰা (১)ৰ অধীনত দেয় মাচুল;

(iii) ধাৰা ৭ৰ উপ-ধাৰা (১) ৰ অধীনত দেয় মাচুল ; আৰু

(iv) কোনো অন্য বিষয়, যিটো বিহিত কৰিবলৈ অপেক্ষিত হয় বা বিহিত কৰিব পাৰি।

**নিয়মাৱলীৰ উত্থাপন।**

২৯। (১) এই অধিনিয়মৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰণীত প্ৰত্যেক নিয়ম, ইয়াক প্ৰণয়ন হোৱাৰ লগে লগে অধিবেশন চলি থকা সময়ত, এখন অধিবেশন বা দুখন বা ততোধিক ক্ৰমাগত অধিবেশনেৰে ভুক্ত হোৱা ত্ৰিশ দিনৰ কালৰ বাবে সংসদ চলি থাকে, প্ৰত্যেক সদনৰ আগত উত্থাপন কৰা হব আৰু যদিহে উপৰোক্ত অধিবেশনৰ অব্যৱহিত অবসানৰ পূৰ্বে উভয় সদনে নিয়মত কোনো সাল সলনি কৰিবলৈ সন্মত হয় বা উভয় সদনে সন্মত হয় যে নিয়ম প্ৰণয়ন কৰিব নেলাগে তেন্তে তাৰ পিচত নিয়ম, যথাস্থিতি এনে সাল সলনি ৰূপত প্ৰভাৱী হব বা একে বাৰে প্ৰভাৱহীন হব, সেয়ে হলেও এনে সাল সলনি বা বদকৰণে সেই নিয়মৰ অধীনত পূৰ্বকৃত্য কোনো কাৰ্য্যৰ বিধিমন্যতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ হব।

(২) এই অধিনিয়মৰ অধীনত ৰাজ্য চৰকাৰৰ দ্বাৰা প্ৰণীত প্ৰত্যেক নিয়ম ইয়াক অধিসূচিত কৰাৰ পাচত, ৰাজ্যিক বিধান মণ্ডলৰ আগত উত্থাপন কৰা হব।

**জটিলতাসমূহ দুৰীকৰণৰ ক্ষমতা।**

৩০। (১) যদি এই অধিনিয়মৰ উপবন্ধসমূহ প্ৰভাৱী হোৱাত কোনো জটিলতা উদ্ভৱ হয়, কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত আদেশৰ দ্বাৰা এই অধিনিয়মৰ উপবন্ধত অসঙ্গত নোহোৱা এনে উপবন্ধ প্ৰণীত কৰিব পাৰে যিদৰে এইটো জটিলতাসমূহ দূৰ কৰিবলৈ আৱশ্যক বা সমীচীন হব ঃ

পৰন্তু এনে কোনো আদেশ এই অধিনিয়মৰ প্ৰাৰম্ভণৰ তাৰিখৰ পৰা দুবছৰৰ অবসানৰ পাচত প্ৰণীত কৰা নহব।

(২) এই ধাৰাৰ অধীনত প্ৰণীত প্ৰত্যেক আদেশ, এইটো প্ৰণীত হোৱাৰ পাচত, লগে লগে সংসদৰ প্ৰত্যেক সদনৰ আগত উত্থাপন কৰা হব।

**নিৰসন।**
**২০০৩ ৰ ৫**

৩১। তথ্য স্বতন্ত্ৰতা অধিনিয়ম, ২০০২, ইয়াৰ দ্বাৰা নিৰসিত কৰা হৈছে।

তথ্য অধিকাৰ অধিনিয়ম, ২০০৫

# প্ৰথম অনুসূচী

[ধাৰা ১৩ (৩) আৰু ১৬ (৩) চাওঁক।]

মুখ্য তথ্য আয়ুক্ত / তথ্য আয়ুক্ত/ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত / ৰাজ্যিক তথ্য আয়ুক্তই লব লগীয়া শপথ আৰু সত্যাৰ্পণৰ প্ৰপত্ৰ

" মই,............................ মুখ্য তথ্য আয়ুক্ত / তথ্য আয়ুক্ত / ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত / ৰাজ্যিক তথ্য আয়ুক্ত ৰূপে নিযুক্ত হোৱাত ঈশ্বৰৰ নামত শপথ খাই কওঁ / নিষ্ঠা সহকাৰে প্ৰতিজ্ঞা কৰো যে বিধিৰ দ্বাৰা স্থাপনা কৰা ভাৰতৰ সংবিধানৰ প্ৰতি মই প্ৰকৃত বিশ্বাস আৰু নিষ্ঠা পোষণ কৰিম, মই ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা অক্ষুন্ন ৰাখিম আৰু ভয় বা পক্ষপাত, অনুৰাগ বা বিদ্বেষ নোহোৱাকৈ সম্যক ৰূপে আৰু শ্ৰদ্ধাৰূপক, আৰু মোৰ পূৰ্ণযোগ্যতা, জ্ঞান আৰু বিবেক অনুসাৰে মোৰ পদৰ কৰ্ত্তব্য পালন কৰিম আৰু সংবিধান আৰু বিধিসমূহৰ মৰ্য্যাদা ৰক্ষা কৰিম।"

# দ্বিতীয় অনুসূচী

(ধাৰা ২৪ চাওঁক)

কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা স্থাপিত চোৰাং চোৰা আৰু নিৰাপত্তা সংগঠন

(১) চোৰাং চোৰা দপ্তৰ।

(২) মন্ত্ৰী মণ্ডল সচিবালয়ৰ গৱেষণা আৰু বিশ্লেষণ ভাগ।

(৩) ৰাজহ চোৰাং চোৰাৰ সঞ্চালক পৰিষদ।

(৪) কেন্দ্ৰীয় অৰ্থনৈতিক চোৰাং চোৰা দপ্তৰ।

(৫) বলবৎকৰণৰ সঞ্চালক পৰিষদ।

(৬) মাদক দ্ৰব্য নিয়ন্ত্ৰণ দপ্তৰ।

(৭) বিমান গৱেষণা কেন্দ্ৰ।

(৮) বিশেষ সীমান্ত বাহিনী।

(৯) সীমা নিৰাপত্তা বাহিনী।

(১০) কেন্দ্ৰীয় সুৰক্ষিত আৰক্ষী বাহিনী।

(১১) ভাৰত তিব্বত সীমান্ত আৰক্ষী বাহিনী।

(১২) কেন্দ্ৰীয় উদ্যোগিক নিৰপত্তা বাহিনী।

(১৩) ৰাষ্ট্ৰীয় নিৰপত্তা চন্তৰী।

(১৪) অসম ৰাইফল।

[১][(১৫)সশস্ত্ৰ সীমা বল।]

(১৬) বিশেষ শাখা (চি আই ডি), আন্দামান আৰু নিকোবৰ।

---

(১) তথ্য অধিকাৰ অধিনিয়ম ২০০৫, (২০০৫ ৰ ২২)ৰ ধাৰা ২৪ৰ উপ-ধাৰা (২)ৰ দ্বাৰা ক্ৰমিক সংখ্যা ১৫ আৰু তাৰ সম্বন্ধিত প্ৰবিষ্টিসমূহৰ স্থানত "সশস্ত্ৰ সীমা বল" প্ৰতিষ্ঠাপিত হৈছে।

(১৭) অপৰাধ শাখা চি আই ডি, চিবি, দাদৰা আৰু নগৰ হেৱেলী।

(১৮) বিশেষ শাখা, লাক্ষাদ্বীপ আৰক্ষী।

[১][(১৯)বিশেষ সুৰক্ষা দল।

(২০) প্ৰতিৰক্ষা গৱেষণা আৰু বিকাশ সংগঠন।

(২১) সীমা পথ বিকাশ বৰ্ড।

(২২) বিত্তীয় চোৰাং চোৰা গোট, ভাৰত।]

---

(১) তথ্য অধিকাৰ অধিনিয়ম ২০০৫, (২০০৫ ৰ ২২)ৰ ধাৰা ২৪ৰ উপ-ধাৰা (২)ৰ দ্বাৰা ক্ৰমিক সংখ্যা ১৯, ২০, ২১ আৰু ২২, অন্তঃস্থাপিত কৰা হ'ল।